# সমন্বয় কেনেকৈ ?

[ বুনিয়াদী শিক্ষাৰ সমন্বয় বা সমবায় পদ্ধতি ]

( বুনিয়াদী শিক্ষকৰ হাতৰ পুথি )

লিখক
শ্ৰীতাৰিণী চৰণ দাস বি, এ,
অধ্যক্ষ ছুধনৈ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ
—আৰু—
শ্ৰীখগেন্দ্ৰ নাৰায়ণ দাস, শিক্ষক
ছুধনৈ বুনিয়াদী কেন্দ্ৰ ।

# সমন্বয় কেনেকৈ ?

[ বুনিয়াদী শিক্ষাৰ সমন্বয় বা সমবায় পদ্ধতি ]

পোৱা ঠাই—১। লয়ার্চ বুকষ্টল, পানবজাৰ
২। নিউ বুকষ্টল— ,,
৩। শ্ৰীশঙ্কৰ লাইব্ৰেৰী ,,
৪। সাহিত্য সেৱা সদন, মাছখোৱা
৫। সাহিত্যসেৱাশ্ৰম—ঢুধনৈ ।

[ সৰ্ব্বস্বত্ব সংৰক্ষিত— ]

প্ৰকাশক –লিখক

পোঃ আঃ দুধনৈ ।

দুধনৈ । গোৱালপাৰা ।

১ম তাঙ্গৰণ ২০০০ ফেব্ৰুৱাৰী ১৯৫৬

মূল্য—১৷৷০ টকা

মুদ্ৰক —

পূৰ্ব্বজ্যোতি প্ৰেছ

ফাচিবজাৰ, গুৱাহাটী ।

# পাতনি

বুনিয়াদী শিক্ষাত সমবায়ী পদ্ধতিৰে শিক্ষা প্ৰদান কৰাৰ মহত্ব বেচি। কোনো এটা হাত শিল্পৰ মাধ্যমত শিশুক গণিত, মাতৃ-ভাষা, সমাজ বিজ্ঞান, সাধাৰণ জ্ঞান, চিত্ৰকলা, আদি বিষয় বোৰৰ জ্ঞান দিয়া হয়। এই পদ্ধতিৰে শিক্ষা দান কৰা এফালে যেনেকুৱা কঠিন আনফালে কি দৰে কেনেকৈ পাঠ টোকা তৈয়াৰ কৰি সেই অনুসাৰে শিক্ষাদান কৰিব লাগে তাৰ নিদৰ্শন পোৱাও কঠিন।

বুনিয়াদী শিক্ষকৰ প্ৰথম আৰু প্ৰধান কৰ্ত্তব্য দৈনিক পাঠ টোকা লিখি সেই অনুপাতে ছাত্ৰ-ছাত্ৰীক শিক্ষা দান কৰা। বিনা পাঠ টোকাৰে সমবায়ী পদ্ধতিৰ শিক্ষা প্ৰদান কৰা শিক্ষকৰ পক্ষে কঠিন। সেই কাৰণে পাঠ টোকা তৈয়াৰ কৰাৰ মহত্ব বেচি। সেইটো নহলে পাঠ্যক্ৰম অনুযায়ী বিষয়বোৰৰ শিক্ষা অসম্পূৰ্ণ হৈ যাব।

আজিলৈ অসমীয়া ভাষত "সমন্বয় কেনেকৈ কৰিব লাগে" তেনেকুৱা কিতাপ ওলোৱা নাই। সেই অভাব দূৰ কৰিবলৈ আৰু শিক্ষকৰ শিক্ষাদানত মাৰ্গদৰ্শন কৰাৰ অভিপ্ৰায়ে আমি এই "সমন্বয় কেনেকৈ" নামৰ কিতাপ খন ৰাইজৰ আগলৈ আগবঢ়োলোঁ। আশা কৰোঁ এই কিতাপ খনে সমূহ বুনিয়াদী শিক্ষক বৃন্দৰ সহায়ত ভূমিকা গ্ৰহণ কৰিব। ৰাইজ আৰু শিক্ষকৰ সহায় সহানুভূতি পালে ইয়াৰ আকৌ কলেবৰ বৃদ্ধি কৰি উলিয়াবলৈ প্ৰতিজ্ঞাও কৰোঁ। ইতি

—লিখক

# সূচী পত্র


| | | |
|---|---|---|
| ১। | সমন্বয়ৰ ৰূপ ৰেখা ... ... | ১ |
| ২। | বুনিয়াদী শিক্ষাৰ মাধ্যম ... ... | ৪ |
| ৩। | সমন্বয়ৰ ভুল প্ৰণালী .. ... | ৯ |
| ৪। | সমন্বয়ৰ শুদ্ধ প্ৰণালী ... ... | ১১ |
| ৫। | বাৰ্ষিক আচনি ... ... | ১৭ |
| ৬। | সমন্বয় পাঠ টোকাৰ আৰ্হি ... ... | ২৯ |
| ৭। | বিশেষ পাঠ দান পদ্ধতি ... ... | ৪২ |
| ৮। | বিশেষ পাঠ টোকা . ... | ৫০ |

# সমন্বয় কেনেকৈ

## সমন্বয়ৰ ৰূপ ৰেখা

### সমন্বয় কি ?

বুনিয়াদী শিক্ষা কৰ্ম্ম-কেন্দ্ৰিক। কৰ্ম্মৰ মাজেৰেই বুনিয়াদী ছাত্ৰ ছাত্ৰীৰ শাৰীৰিক মানসিক আৰু নৈতিক বিকাশ সাধন কৰিব লাগিব। পুথিগত মুখস্থ বিদ্যাৰে ছাত্ৰ-ছাত্ৰীৰ সৰ্ব্বাঙ্গীণ বিকাশ হোৱা সম্ভৱ নহয়।

জন্মৰ পৰা মৃত্যুলৈ মানুহে কৰ্ম্ম কৰিব লাগিবই। বিনা কৰ্ম্মে মানুহৰ জীৱনৰ অস্তিত্ব নেথাকে আৰু বিনা কৰ্ম্মে মানুহৰ জ্ঞানৰো বিকাশ নহয়। জ্ঞানৰ স্ৰোত কৰ্ম্মৰ পৰাই বাহিৰ হয়। কৰ্ম্ম নহলে জ্ঞান নহয় আৰু জ্ঞান নহলে কৰ্ম্মও সিদ্ধ নহয়। কৰ্ম্ম আৰু জ্ঞানৰ মাজত অভিন্ন সম্বন্ধ বিদ্যমান। মাটি আৰু মাটিৰ কলহৰ ভিতৰত যি সম্বন্ধ, কৰ্ম্ম আৰু জ্ঞানৰ মাজতো সেই সম্বন্ধ।

কেৱল মাটিৰে পানী আনিব নোৱাৰি। সেইদৰে মাটি নহলে মাটিৰ কলহো তৈয়াৰ কৰিব নোৱাৰি। মাটিৰ কলহ তৈয়াৰ কৰিলেহে সেই কলহেৰে পানী আনিব পৰা যায়। মাটিৰে কলহ তৈয়াৰ কৰিব লাগিলে কৰ্ম্মৰ সমাবেশ কৰিব লাগিব। সেই কৰ্ম্মত জ্ঞান বুদ্ধি খটুৱাব লাগিব। তেনে হলেহে কলহ হৈ উঠিব আৰু তাৰে পানী অনা কাম সফল হব। সেই দৰে জীৱনৰ সৰ্ব্বাঙ্গীণ বিকাশতো শিক্ষা কৰ্ম্ম কেন্দ্ৰিক হব লাগিব। নহলে সুফল পোৱা দুৰাশা।

মাটিৰে কলহ কৰোঁতে কি কি উপকৰণৰ আৱশ্যক হয়, সেই উপকৰণ ক'ত পোৱা যায় আৰু সমাজৰ কি কল্যাণ হ'ল— এইদৰে প্ৰকৃতি, অৰ্থনীতি, সমাজ নীতি, আদি বহু বিষয়ৰ কথা আহি পৰে আৰু সেইবোৰৰ জ্ঞান আয়ত্ব হৈ থাকে। এইয়ে হৈছে সমন্বয়ৰ আচল প্ৰণালী। সেইদৰে শিশুৱে সূতা কটা কাম কৰে। সূতা কটা এটা কৰ্ম্ম। সূতা কাটিবলৈ কপাহৰ আৱশ্যক। সেই কপাহ প্ৰকৃতিৰ বুকত পোৱা যায়। সেই কপাহ প্ৰকৃতিৰ পৰা তুলি লৈ প্ৰথমে বাঁচিব লাগিব। অৰ্থাৎ কপাহৰ মাজত থকা জাবৰ জোথৰবোৰ আঁতৰাব লাগিব। তাৰ পাচত ধুনিব লাগিব। ধুনা হলে পাঁজি তৈয়াৰ কৰিব লাগিব। পাঁজি তৈয়াৰ হলে টাকুৰী বা যঁতৰত সূতা কাটিব লাগিব। সেই সূতাৰে বস্ত্ৰ তৈয়াৰ হ'ব। কপাহ তোলাৰ পৰা বস্ত্ৰ তৈয়াৰ কৰা প্ৰক্ৰিয়ালৈ গোটেই কৰ্ম্ম শিশুৱে কৰিব। সেই কৰ্ম্মবোৰত শিশুৱে জ্ঞানৰ আয়ত্ব কৰিব। অৰ্থাৎ প্ৰকৃতি, শিল্প, সমাজ

সম্বন্ধীয় গোটেই জ্ঞান লাভ কৰিব। শিশুই সূতা কাটিছে অথচ প্ৰকৃতি, শিল্প আৰু সমাজ সম্বন্ধীয় জ্ঞানৰাশি শিশুই লাভ কৰি গৈছে। শিল্পৰ কাম কৰোঁতে প্ৰকৃতি, শিল্প আৰু সমাজৰ কথা আহি পৰে। গতিকে প্ৰকৃতি, শিল্প আৰু সমাজৰ ভিতৰত ইটো আনটোৰ ঘনিষ্ঠ সম্বন্ধ আছে।

---

# বুনিয়াদী শিক্ষাৰ মাধ্যম

কামৰ জৰিয়তে শিক্ষা দিয়াই বুনিয়াদী শিক্ষাৰ মূল । মনোবৈজ্ঞানিক দৃষ্টিৰ ফালৰ পৰা শিক্ষাবিদ সকলে স্বীকাৰ কৰিছে যে কামৰ জৰিয়তে দিয়া শিক্ষাই একমাত্ৰ উপযুক্ত শিক্ষা পদ্ধতি । সেই কাৰণে অন্যান্য স্বাধীন দেশৰ শিক্ষাও কামৰ মাজেৰে দিয়াৰ ব্যৱস্থা চলিছে । জাতিৰ জনক বাপুজী বুনিয়াদী শিক্ষাৰ পথ প্ৰদৰ্শক । বৰ্ত্তমান হিন্দুস্থানত কোনো এটা হাত-শিল্পৰ মাজেৰে বুনিয়াদী শিক্ষা দিয়াৰ ব্যৱস্থা চলিছে । হাত শিল্পৰ কাম কৰোঁতে কেঁচা মালৰ আৱশ্যাক হয় । সেই কেঁচা মাল প্ৰকৃতিয়ে যোগাৰ দিয়ে । প্ৰকৃতিৰ কেঁচা মালৰ দ্বাৰা শিল্পৰ যোগেৰে যি বস্তু তৈয়াৰ হয় সেই বস্তু সমাজত বিতৰণ হয় । গতিকে শিক্ষাৰ মাধ্যম প্ৰকৃতি, শিল্প আৰু সমাজ । এটাৰ কথা আলোচনা কৰিলে আনটো আহি পৰে । বুনিয়াদী শিক্ষাৰ ছাত্ৰ ছাত্ৰীয়ে এই তিনিটাৰ মাজেৰেই সকলো বিষয়ৰ জ্ঞানৰ অধিকাৰী হ'বৰ সুযোগ পাব । যিদৰে পৰ্ব্বতৰ ওপৰত উঠি চাৰিওফালৰ জগত দৃষ্টি কৰিব পাৰি সেইদৰে শিল্পৰ বিষয়ে সূক্ষ্ম ভাবে বিচাৰ কৰি বিশ্ব-নিৰীক্ষণ কৰিবলৈ সুযোগ মিলে । কিয়নো প্ৰকৃতি, শিল্প আৰু সমাজ লৈয়ে বিশ্বখন ।

সাহিত্য, গণিত, সমাজ বিজ্ঞান, সাধাৰণ বিজ্ঞান, চিত্ৰ কলা আদি সকলো বিষয়ে এই তিনিটাক মাধ্যম কৰি ছাত্ৰ ছাত্ৰী সকলক শিক্ষা দিব পৰা যায় ।

*প্ৰকৃতি* :—প্ৰকৃতিয়ে শিল্পৰ স্ৰোতা বিভিন্ন শিল্পৰ ওপৰতে মনুষ্য সমাজে জীৱন যাপন কৰে। ঋতু পৰিৱৰ্ত্তন গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত, বসন্ত। গ্ৰীষ্ম-বৰ্ষা কালৰ মানুহৰ দুখ কষ্ট বানপানী হেতু ৰাস্তা ঘাটৰ বিপৰ্য্যয়, খাদ্য সামগ্ৰীৰ অভাৱ অনাটন, বেমাৰ আজাৰৰ প্ৰাদুৰ্ভাৱ আদি কথা। সেইদৰে শৰৎ-বসন্ত কালৰ মনোৰম দৃশ্য, বেমাৰ-আজাৰ অন্তৰ্দ্ধান, অভাৱ-অনাটন অদৃশ্য, ৰাস্তা-ঘাটৰ সুযোগ আদি কথা বাস্তৱ ৰূপৰ জীৱন্ত ছবি, জীৱ-জন্তুৰ আবাস, চৰাই-চিৰিকতিৰ বিভিন্ন ক্ৰিয়া, পৰ্ব্বত-ভৈয়ামৰ পৰিৱৰ্ত্তন বিৱৰ্ত্তন, নদ-নদীৰ গতি বিপৰ্য্যয়, চন্দ্ৰ-সূৰ্য্য গ্ৰহ-তৰাৰ স্থান, বায়ু মণ্ডলৰ যাৱতীয় দৃশ্য, প্ৰকৃতি কোলাৰ ভিন্ন ভিন্ন শস্য কেঁচা মাল উৎপন্ন কৰা, আহৰণ কৰা, আৰু মানুহৰ ব্যৱহাৰৰ উপযোগী সামগ্ৰী তৈয়াৰ কৰা, কীট-পতঙ্গৰ গতি-বিধি জনা, আগ্নেয়গিৰি ভূমিকম্পৰ বিষয়ে জনা, বতাহ বৰষুণৰ বিষয়ে জনা, ৰামধেনু উল্কা, ধুমকেতু সম্বন্ধে জনা আদি সকলো কথা প্ৰকৃতিৰ ভিতৰত।

*সমাজ* :—শিল্প কামত ভিন্ন ভিন্ন লোকৰ সৈতে আলোচনা, অভিবাদন কৰা, সভাত যোগ দিয়া, সামূহিক কামত আত্ম নিয়োগ কৰা, মানুহৰ সুখ, দুখ, বিবাহ শ্ৰাদ্ধ আদিত সহায় সহানুভূতি আৰু সম্মিলিত হোৱা, বিপদ আপদত আশ্ৰয় দিয়া। সমাজৰ কল্যাণ সাধনা কৰা, আৱশ্যক হলে আত্ম ৰক্ষাৰ কাৰণে যত্নশীল হোৱা, সংযমী হৈ নিজৰ ব্যক্তিগত জীৱন দৰ্শন আদৰ্শযুক্ত কৰা, জীৱনৰ সৰ্ব্বাঙ্গীণ বিকাশৰ কাৰণে যত্ন কৰা ইত্যাদি।

*শিল্প* :—শিল্পৰ কাম কৰোঁতে ভিন্ন ভিন্ন ক্রিয়া বুদ্ধিৰে কৰা, নিপুনতাৰে কার্য্যদক্ষতাৰে শিল্প কামত মনোযোগ দিয়া, শিল্প কামৰ আহিলা পাতিৰ পৰিচয় লাভ কৰা, অর্থনীতি, স্বাস্থ্যনীতি, সমাজ নীতিৰ সম্যক বিচাৰ কৰা আদি কথা শিল্পৰ ভিতৰত পৰিব ।

আগতে উল্লেখ কৰা হৈছে প্রকৃতি, শিল্প আৰু সমাজৰ আধাৰত শিশুৰ বিষয় বোৰৰ জ্ঞান বিকাশৰ সুযোগ পাব ।

যেনে :—১। মাতৃ ভাষা—অ, আ, ই, ঈ, ক, খ, গ বিভিন্ন কামৰ সৈতে কি আৰু কেনেকৈ

২। গণিত—" " "

৩। সমাজ বিজ্ঞান—

(ক) ইতিহাস—" "

(খ) ভূগোল— " "

(গ) নাগৰিকতা " "

(ঘ) অর্থনীতি " "

৪। চিত্রকলা – কি আৰু কেনেকৈ ।

৫। সাধাৰণ বিজ্ঞান " "

বিভিন্ন দৃষ্টিৰ বেলেগ বেলেগ গছপুলি, জন্তু, মাটি, জাবৰ, স্বাস্থ্য, ভৌতিক শাস্ত্র, ৰসায়ন শাস্ত্র, সমাজ শাস্ত্র, আদি ।

ওপৰত উল্লেখ কৰা এই সকলো বিষয়ে শিশুই প্রকৃতি, শিল্প আৰু সমাজৰ মাধ্যমত শিকিব ।

*প্রকৃতিৰ পৰা* :—প্রাকৃতিক ঘটনা আৰু দৃশ্য অৱলোকন কৰি শিশুই নানা কথা শিকিব যেনে - বর্ষা, বৰষুণ, নিয়ৰ, কুঁৱলী, তুফান,

চন্দ্ৰ মণ্ডল, তৰা, নক্ষত্ৰ, বিজুলী, গাছৰ বৰষুণ, ইন্দ্ৰধনু, নিহাৰিকা, সূৰ্য্যগ্ৰহণ, চন্দ্ৰগ্ৰহণ, হিমালয়ৰ দৃশ্য, উষা, সন্ধ্যাৰ মনোৰম ৰূপ, মানুহ-জীৱ, জন্তু, কীট পতঙ্গৰ ওপৰত বিভিন্ন ঋতুৰ প্ৰভাৱ, জীৱ-জন্তুৰ পৰিচয়, আশ-পাশৰ শাক-পাচলি, খেতি নিৰীক্ষণ আৰু পৰিচয় ইত্যাদি ।

*শিল্পৰ পৰা* :—শিশুই অন্ন-বস্ত্ৰৰ কথা শিকিব । যেনে—নিজৰ, লগৰীয়াৰ আৰু ঘৰৰ আন আন লোকৰ কাৰণে ৰুমাল, গামোছা, চাদৰ, ধুতি, কামিজ, গেঞ্জী, হাফপেণ্ট, টেবিলৰ কাপোৰ আদিৰ কাৰণে সূতা কাটিব ।

নিজৰ আহাৰৰ আৱশ্যকতা অনুসাৰে কাম কৰা, স্কুল ঘৰ সজোৱা, স্কুলৰ আৰু ওচৰ চুবুৰীয়া লোকৰ আৱশ্যকতা পূৰ্ণ কৰিবলৈ শিশুই মাকৈ, ধান, অৰহৰ আদিৰ খেতি, ফুল কপি, বান্ধা কপি, ওল কপি, চাল গোম, পিয়াজ, বিলাহী, বেঙেনা, জলকীয়া, আলু, মূলা, শাক-পাচলি আদি তৰকাৰীৰ খেতি কৰা, আম, কঠাল, জাম, লেতেকু, পনিয়াল, মধুৰীআম, অমৃতা, লিচু আদিৰ গছ ৰোপন কৰা, বতাহ পৰিষ্কাৰ কৰা, নিম, একলিপস আদি গছৰোৱা প্ৰাকৃতিক সৌন্দৰ্য্য বঢ়োৱা নাগেশ্বৰ, কৃষ্ণ চূড়া, আদি গছৰ ব্যৱহাৰ কৰা আদি সকলো কাম শিল্প কামৰ ভিতৰত শিশুই কৰিবলৈ সুবিধা পাব ।

*শিশুৰ স্কুলীয়া জীৱন* :- নিজৰ স্কুলৰ কোঠা, ফুলনী, চাফ কৰা, ব্যক্তিগত আৰু সামূহিক ভাবে কৰা, খোৱা পানীৰ উচিত ব্যৱস্থা কৰা, নৰ্দ্দমা খন্দা, স্কুলঘৰ-সজোৱা, আগন্তুকক স্বাগত কৰা ।

শিশু সমিতিৰ কাম সুচাৰু ৰূপে চলোৱা, স্কুলৰ সাজ সৰঞ্জামৰ তত্ত্বাৱধান লোৱা। অভিনয় কৰা, অভিনয়ত ভাগ লবলৈ অভিভাৱক আৰু ওচৰ চুবুৰীয়াক নিমন্ত্ৰণ কৰা, প্ৰহসন, বাকপ্ৰতিযোগিতা, শিশু কবি সন্মিলন আদিৰ ব্যৱস্থা কৰা, সেইবোৰ দেখুৱাই লোকক প্ৰভাবিত কৰা, স্কুলত প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা, উৎসৱ পালন কৰা, অন্যান্য মেল-উৎসৱ আদিত সেৱা কাৰ্য্য কৰা, ঐতিহাসিক ঘটনা বহুল স্থান পৰিদৰ্শন কৰা।

*গাৱঁলীয়া জীৱন* :—নিজ গাৱঁৰ ৰাস্তা-ঘাট, গছ-গছনি, লোক সংখ্যা, মানুহৰ আচাৰ-ব্যৱহাৰ, বেপাৰ-বানিজ্য, বেমাৰ-আজাৰ, পশু পালন, শস্য উৎপাদন কৰা, সমাজৰ নিয়ম, গাৱঁলীয়া স্কুল, ডাকঘৰ, চিকিৎসালয়, থানা, গৃহ, পোচাক-পৰিচ্ছদ; আয়, ব্যয় আদিৰ বিষয়ে শিশুই জ্ঞান লাভ কৰিব।

*শিশুৰ ঘৰুৱা জীৱন* :—আশ-পাশৰ ঠাই, ঘৰ, চোতাল, কোঠা-মজিয়া পৰিস্কাৰ কৰা, নিজৰ ঘৰৰ মানুহক কামত সহায় কৰা, গাৱঁৰ ৰাস্তা, ঘাট, কুঁৱা আদি চাফ্ কৰা, ৰোগীয়া মানুহক সহায় কৰা, প্ৰাথমিক চিকিৎসাৰ জ্ঞান লাভ কৰা, স্বাস্থ্য সম্বন্ধীয় অফিচাৰক জনাই ঔষধৰ ব্যৱস্থা কৰা, পৰ্ব্ব-উৎসৱ, সভা সমিতিত ভাগ লোৱা আৰু সেৱা কাৰ্য্য কৰা, ভোজ বিবাহ আদিত গাৱঁলীয়া লোকক সহায় কৰা, নিজ গাৱঁত পুস্তকালয়ৰ ব্যৱস্থা কৰা, গাৱঁলীয়া জনতাক দেশ বিদেশৰ খবৰ শুনোৱা, পৰিষ্কাৰ পৰিচ্ছন্নতাৰ বিষয়ে বুজনি দিয়া, সাহিত্য চৰ্চ্চাত মানুহক উদগনি দিয়া আদি বিষয়ে শিশু মনোযোগী হব।

# সমন্বয়ৰ ভুল প্ৰণালী

আগতে কোৱা হৈছে কৰ্ম্ম আৰু জ্ঞানৰ মাজত ঘনিষ্ঠ সম্বন্ধ। কৰ্ম্ম কেন্দ্ৰিক শিক্ষাত প্ৰথম কৰ্ম্ম পাচত জ্ঞান লাভ। শিশুৱে প্ৰথমে কৰ্ম্ম কৰিব পাচত সেই কৰ্ম্মৰ আধাৰত যাৱতীয় জ্ঞান অৰ্জ্জন কৰিব। কেতিয়াবা কেতিয়াবা শিক্ষকে ভুল কৰে এইটো যে শিল্পৰ কাম শিশুৰ দ্বাৰা কৰোৱা হয় এক আৰু শিকোৱা হয় আনটো। সেইটো কৰিলে সমন্বয় পদ্ধতিৰে শিক্ষাদান কৰা নহ'ল। তাৰ পৰা কোনো সুফলো পোৱা নেযায়। উদাহৰণ স্বৰূপে শিশুৰ দ্বাৰা সূতা কটাব কিছু সময় আৰু কৰ্ম্মৰ পৰা আঁতৰি গৈ কৰ্ম্মৰ লগত সামঞ্জস্য নোহোৱা কোনো বিষয় শিক্ষা দান কৰিব। কিছু সময় শিল্প কাম কৰা আৰু কিছু সময় বিষয় বোৰ শিকোৱা পদ্ধতিও বুনিয়াদী শিক্ষা নহয়। নাইবা বৰ্ত্তমান শিল্পৰ লগত প্ৰাৰ্থনা আৰু সূতা কটা সাঙুৰি দিলেও বুনিয়াদী শিক্ষা নহয়। খেজুৰৰ গছ দেখুৱাই আৰবৰ বিষয়ে শিকোৱা, জাল দেখুৱাই মাছৰ বিষয়ে শিকোৱা, যঁতৰ দেখুৱাই আকবৰৰ কাহিনী কোৱা, আদি সমন্বয়ৰ ভুল প্ৰণালী। শিশুৱে যি শিল্পৰ কাম কৰিব তাৰ পৃষ্ঠ ভূমিৰ ওপৰত বিষয় বোৰৰ জ্ঞান লাভ কৰিব। যিটো বাস্তৱত শিশুৱে কৰিব তাকেই শিকিব। সেয়ে হৈছে সমন্বয় পদ্ধতি কামৰ জৰিয়তে শিক্ষা।

বৰ্ত্তমান দেখা যায় যে সমন্বয়ৰ আচল তত্ত্ব সুবুজি বা বুজিবলৈ চেষ্টা নকৰি ভুল পথেৰে সমন্বয় কৰা হয়। সেই কাৰণে সমন্বয়

প্ৰণালীৰ বিকৃত ৰূপ ফুটি উঠিছে। এনে পৰা শিক্ষা দানত সুফল আশা কৰিব নোৱাৰি। প্ৰকৃততে শিশুৱে যি কৰিব তাৰেই ওপৰত ভিত্তি কৰি অন্যান্য বিষয় বোৰ শিকিব। বাপুজীয়ে কৈছিল "মোৰ লৰাক মই বাঢ়ৈ কাম শিকাইছিলো। তাকে ওপৰত ভিত্তি কৰি সি বহু বিষয়ৰ জ্ঞান আহৰণ কৰিব পাৰিছে। বোকা নাচিয়ে খেলিছে জপিয়াইছে আৰু তাৰ লগে লগে বহু বিষয়ৰ কথা শিকিছে।" সন্ত বিনোৱা ভাবে কয় যে "স্কুল এক ঘণ্টাৰ হব লাগে। শিশুৱে শিল্পৰ কাম কৰিব আৰু তাৰ ওপৰত ভিত্তি কৰি এক ঘণ্টা সময় বৌধিক শিক্ষা লাভ কৰিব। সেই এক ঘণ্টাৰ ভিতৰতে যথেষ্ট শিক্ষা লাভ হব। ইয়াৰ ফলত শিল্পৰ সকলো প্ৰক্ৰিয়াতো শিশুৱে শিকিবই লগে লগে জ্ঞানৰো অধিকাৰী হব।"

—X—

# সমন্বয়ৰ শুদ্ধ প্ৰণালী

কামৰ যোগে জ্ঞান উপাৰ্জ্জন কৰাই সমবায় শিক্ষাৰ উদ্দেশ্য। সেই কাৰণে শিক্ষকৰ কৰ্ত্তব্য হ'ব এই যে তেওঁ যি বৰ্গত কাম কৰিব সেই বৰ্গৰ প্ৰথমে বাৰ্ষিক আঁচনি তৈয়াৰ কৰি লব। এই আঁচনি শিশুৰ মানসিক, শাৰীৰিক আৰু নৈতিক বিকাশৰ ফালে লক্ষ্য ৰাখি তৈয়াৰ কৰিব লাগিব। শাৰীৰিক বিকাশৰ কাৰণে এনে হাত-শিল্প ব্যৱস্থা ৰাখিব লাগিব যাতে শিশুৰ শৰীৰ স্বাস্থ্য-বান হয় আৰু লগে লগে উৎপাদনও হয়।

জীৱনৰ উদ্দেশ্য নহয় খোৱা পিয়া আৰু আনন্দ লাভ কৰা। প্ৰত্যেকেই নিজৰ জীৱনৰ কাৰণে পৰিশ্ৰম কৰিব লাগিব। সেই মতে শিশুৱে লিখা পঢ়া শিকিব আৰু লগে লগে কিছু উৎপাদন কৰিব। উৎপাদনৰ কাৰণে এনেকুৱা হাত শিল্পৰ ব্যৱস্থা কৰিব লাগিব য'ত উৎপাদনৰ আৰু শিক্ষাৰ বিশেষ সম্ভাৱনা থাকে। শিল্পৰ কাম কৰিলে ইন্দ্ৰিয় বোধৰ পৰিচালনা হয়, আৰু শৰীৰ পুষ্ট হয়। শিশুৰ মানসিক বিকাশৰ কাৰণে মনোযোগেৰে যাতে চিন্তা কৰিবলৈ আদৰ্শ আৰু উপযোগী কিতাপ পঢ়িবলৈ দিব লাগে। আধ্যাত্মিক শক্তিৰ বিকাশৰ কাৰণে জন সেৱা কাৰ্য্যত প্ৰেৰণা দিব লাগে।

শিশুৰ জীৱন দুই প্ৰকাৰে বৰ্দ্ধিত হয়। এক ঘৰত আৰু আনফালে স্কুলত। সেই কাৰণে আঁচনি তৈয়াৰ কৰা সময়ত শিক্ষকে চিন্তা কৰিব যাতে শিশুৰ ব্যক্তিগত আৰু সামাজিক

জীৱন সম্বন্ধীয় সকলো আৱশ্যকীয় অঙ্গৰ সমাবেশ হয়। এনেকুৱা আঁচনি তৈয়াৰ কৰোঁতে শিল্পৰ প্ৰধান প্ৰধান কামৰ উল্লেখ থাকিব। ব্যক্তিগত আৰু সমাজ সম্বন্ধীয় কিতাপৰ আৱশ্যক হব। চাৰিও ফালে বিস্তৃত প্ৰকৃতিৰ বৰ্ণনা থাকিব। কামবোৰৰ ভিতৰত সম্বন্ধ থাকিব। কামবোৰ সমাধা কৰোঁতে যিবোৰ আনুসঙ্গিক কাম আহিব তাৰ যথাযথ বৰ্ণনা কৰিব লাগিব। এইদৰে কাম কৰোঁতে কৰোঁতে সহজে জ্ঞান লাভ হব। এই জ্ঞান লাভ কৰিবলৈ মুখস্থ কৰিবলৈ আৱশ্যক নপৰে আৰু এই জ্ঞানে জীৱনৰ প্ৰতি পদত সহায় হৈ উঠিব। প্ৰচলিত শিক্ষাত কামৰ কোনো সংযোগ নাই সেই কাৰণে ই জীৱনৰ বাস্তৱ ক্ষেত্ৰত সহায়ৰ উপযোগী হৈ নুঠে।

বুনিয়াদী শিক্ষাৰ সকলো কাম উদ্দেশ্য পূৰ্ণ কাম, সৰুৱে হওক বা ডাঙৰে হওক। যেনে এটা কুৱা খন্দা। কুৱাঁ নিৰ্ম্মান এটা কাম। কুৱাঁ তৈয়াৰ কৰোতে ভিন্ন ভিন্ন কামবোৰ আহি পৰে। যেনে – মাটি খন্দা, ইটা তৈয়াৰ কৰা, বিলাতী মাটি যোগাৰ কৰা, ইটাগথা মাটি তৈয়াৰ কৰা, কুৱাঁ গলোৱা ইত্যাদি। এই সকলো কাম মিলি কুৱাঁ নিৰ্ম্মান কাম সমাধা হয়। আনফালে জীৱন যাপন কৰা এটা ডাঙৰ কাম। কিন্তু জীৱন যাপন কৰিবলৈ ই আংশিক কামহে। বস্ত্ৰ তৈয়াৰ কৰা এটা ডাঙৰ কাম; কিন্তু শৰীৰ ৰক্ষাৰ কাৰণে বস্ত্ৰ নিৰ্ম্মান এটা সৰু কাম।

সকলোতকৈ জীৱনেই এটা মহান কাম। সেই কাৰণে বুনিয়াদী শিক্ষা এটা পদ্ধতি। ই জীৱন কেন্দ্ৰীত শিক্ষা।

জীৱনৰ মাজেৰে জীৱনৰ শিক্ষা। ঠিক পথত জীৱন চলাবলৈ সৰু ডাঙৰ শ শ কাম কৰিব লগা হয়। এই কাম বোৰ কৰিবলৈ মানৱ জীৱনৰ তিনিটা আধাৰ হয়। প্ৰথম পৰিবেশ, বংশানুক্ৰমে মূলবৃত্তি। সেইকাৰণে শিক্ষকে এই তিনি বিষয়ে লক্ষ্য ৰাখি আঁচনি তৈয়াৰ কৰিব। এইটোও লক্ষ্য ৰাখিব যাতে শিশুৰ সৰ্ব্বাঙ্গীন বিকাশ সাধন হয়। সৰ্ব্বাঙ্গীন বিকাশৰ কাৰণে শিক্ষকে শিশুৰ সৰু ডাঙৰ সকলো কামৰ প্ৰতি বিশেষ মনোযোগ দিব লাগিব।

সেইকাৰণে স্কীম কৰোঁতে সৰ্ব্ব প্ৰথমে কামবোৰৰ বিষয়ে চিন্তা কৰিব লাগে। আৰু কামবোৰ পৰিপূৰ্ণ কৰিবলৈ যি কিতাপৰ অধ্যয়নৰ আৱশ্যক হয় তাৰো বৈজ্ঞানিক অধ্যয়ন হোৱা আৱশ্যক। বৈজ্ঞানিক ধৰণে অধ্যয়নৰ ফল এইটোৱেই হব যে পাঠ টোকাৰ ভিতৰত শিক্ষকৰ লক্ষ্য ক্ৰিয়া শীলনৰ ফালে যাব আৰু তাৰ আনুষঙ্গিক জ্ঞানবোৰৰ ফালে মন আকৰ্ষিত হব। এই পদ্ধতিৰে কাম কৰিলে কৃত্ৰিম সমবায় নহব।

যেনে -- কবিৰ খেতি কৰা এটা প্ৰধান কাম। কবিৰোৱাৰ আগতে মাটি বাচি লব লাগিব। তাৰ পাছত মাটিৰ প্ৰকাৰ নিৰ্ণয় কৰিব লাগিব। মাটি সাৰুৱা আৰু ঢিলা হলে ভাল বুলি বিবেচিত হয়। সেই কাৰণে মাটি চাহ কৰি ঢিলা কৰি কৰি লব লাগিব। এইদৰে মাটি মনোনীত কৰাৰ পৰা খেতি কৰি কৰি লাভ কৰিবলৈ বহু কাম কৰিব লগা হয়। প্ৰত্যেকতে বৈজ্ঞানিক দৃষ্টিকোণ ৰাখিব লগাত পৰে। যেনে কবিৰ খেতিৰ মাটি চাহ কৰা। মাজত জুলি খন্দা যাতে পানী দিয়াত সুবিধা

হয়, ভাল গুটি সংগ্ৰহ কৰা। গুটি পচোৱা, তাত পানী দিয়া আৰু ৰ'দ পৰিবলৈ সুবিধা দিয়া। পুলিবোৰ খোৱাৰ উপযুক্ত হলে তুলি নি উপযুক্ত ঠাইত ৰোৱা। প্ৰথম তিনি দিন সূৰ্য্যৰ তাপৰ পৰা ৰক্ষা কৰিবলৈ কলৰ বাকলিৰে ঢাকনি দিয়া। দৈনিক পানী দিয়া। সাৰ প্ৰয়োগ কৰা। গছৰ বন আদি নিৰোৱা পোক গুচোৱা, পুলি ডাঙৰ হলে কাষৰ মাটি খন্তিৰে ঢিলা কৰি দিয়া ইত্যাদি বহু কামৰ সমাবেশ হয়। কৰিব খেতি কৰাত মাটিৰ প্ৰকাৰ, মাটিৰ দাম গুটিৰ দাম, গুটি পোৱাৰ স্থান, এঠাইৰ পৰা তুলি নি আন ঠাইত ৰোৱাৰ কৌশল, মৌচুমি বতাহৰ জ্ঞান, কবিৰ প্ৰকাৰ, কবিৰ আদৰ্শ খেতিৰ অধ্যয়ন, কবিৰ খেতি কৰিব জনা খেতিয়কৰ সৈতে পৰিচয়, কৰিব বজাৰ দাম, তাৰ আহৰণ সঞ্চয়, তাৰ পোক পৰুৱাৰ জ্ঞান, তাৰ ভিন্ন ভিন্ন প্ৰয়োগৰ জ্ঞান, সাৰ প্ৰয়োগৰ জ্ঞান, বৰষুণ, বতাহ বৰষুণৰ প্ৰভাৱ ইত্যাদি জ্ঞান লাভৰ সুবিধা হয়।

সেইদৰে সূতা কটা কামৰ পৰাও ভূগোল ইতিহাস, অঙ্ক, সাহিত্য, সাধাৰণ বিজ্ঞান আদি বিষয় বোৰ শিকোৱাৰ সুবিধা হয়। যেনে—সূতা কটালৈ সকলো কাম বৈজ্ঞানিক ধৰণে কৰিলে বহু জ্ঞানৰ লাভ হয়।

মহাত্মা গান্ধীয়ে কৈছিল ' মই বহু শিল্পৰ ভিতৰত টাকুৰীকো শিল্প হিচাবে ধৰিছোঁ। কিয়নো টাকুৰী সৰ্ব্ব প্ৰথম শিল্প আৰু অতিৰ বহুবছৰ আগৰ পৰাই আছে। পুৰণি কালত আমাৰ ঢাকাপোৰ টাকুৰীৰে কটা সূতাৰে তৈয়াৰ কৰা হৈছিল। খদ্দৰৰ

আৱিষ্কাৰ পিচতহে হয়। যি হেতু ঘঁতৰত আটাইতকৈ সুন্দৰ আৰু মিহি সূতা কাটিব পৰা নেযায়। সেই হেতুকে টাকুৰীক আশ্রয় লব লাগিব। টাকুৰীৰ আগতে আবিষ্কাৰ সম্বন্ধীয় ব্যুৎপত্তি শীর্ষ স্থান অধিকাৰ কৰা দেখা নেযায়। টাকুৰীত আঙুলিৰ দক্ষতাৰ যথাযোগ্য প্রয়োগ হয়। টাকুৰী শিক্ষা নোপোৱা কলাকাৰৰ হাতত পৰাত তাৰ অপব্যৱহাৰ হৈছে। যদি আমি আজি তাৰ গৌৰৱ পুণৰ জীবিত কৰিব খোজো যদি আমি গ্রাম্য জীৱন পুণৰ সংগঠন আৰু পুণৰ জীৱিত কৰিব খোজো তেনেহলে টাকুৰীৰে শিশুৰ শিক্ষা আৰম্ভ কৰিব লাগিব। শিশুক শিকাব লগীয়া পাচৰ পাঠ হৈছে টাকুৰীয়ে আমাৰ দৈনন্দিন জীৱনত কি স্থান অধিকাৰ কৰিছে। তাৰ পাচত ইষ্টইণ্ডিয়া কোম্পানীৰ পৰা আৰম্ভ কৰি আনকি মোগলৰ ৰাজত্বৰ আৰম্ভণীৰ পৰাই ভাৰত বুৰঞ্জীৰ কথা আহিব। কেনেকৈ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বাণিজ্য বিষয়ে শোষণ কৰিছিল, কেনে আমাৰ শিল্পত আঘাত লাগিছিল আৰু শেষত ধ্বংশ হয় তাৰো বিস্তৃত বিৱৰণ শিকাব পৰা যায়।

যন্ত্র বিষয়েও বহু শিকাব পৰা যায় যেনে—টাকুৰী নির্ম্মাণ প্রণালী। প্রথমতে মাটিৰ বলৰ ঠাইত ইটাৰ খলাৰ ব্যৱহাৰ হয়। বর্ত্তমানে মাটি আৰু ইটাৰ পৰিবর্ত্তে লো আৰু পিতল ব্যৱহাৰ হয়। টাকুৰীৰ চকাটো কিয় সৰু আৰু শলাকাঠি কিয় নির্দ্দিষ্ট আকৃতিৰ হব লাগে আৰু কমও হব নালাগে বেচিও হব নালাগে। তাৰ পাচত কপাহ বিষয়ে শিকিব পৰা

যায়। তাৰ প্ৰকাৰ দেশ আৰু ৰাজ্য যত বৰ্ত্তমান উৎপন্ন হয়। আকৌ' খেতি সম্বন্ধে কিছু জ্ঞান কপাহৰ কাৰণে উপযুক্ত মাটি। এই ৰকমে কৃষি সম্বন্ধে জ্ঞান জন্মিব।

এই ৰকমে শিক্ষকে ছাত্ৰক শিক্ষা দানৰ আগতে এই বিষয়ে জ্ঞান সঞ্চয় কৰি লব। সমস্ত প্ৰাথমিক গণিত, সূতা কটাৰ পৰা শিকাব পৰা যায়। গুণ্ডী তৈয়াৰ, সূতাৰ নম্বৰ গুণ্ডী বা লেছা তৈয়াৰ কৰা, তাতীৰ কাৰণে সূতা প্ৰস্তুত কৰা এইদৰে কপাহ বোৱাৰ পৰা কাপোৰ বোৱালৈ কপাহ তোলা, ধুনা, সূতা কটা ভাল বেয়া বচা, বোৱা আদি সকলো প্ৰক্ৰিয়া কাৰুকাৰ্য্য ইতিহাস, গণিত আদিৰ সমন্বিত। শিক্ষা দানৰ প্ৰধান আদৰ্শ হৈছে শিশুক শিল্প শিকাওতে যাতে শাৰীৰিক, মানসিক, আৰু আধ্যাত্মিক বিকাশ সাধন হয়। শিল্পৰ প্ৰক্ৰিয়া বোৰ শিকাওতে শিশুক সকলোবোৰ ঠিক ৰকমে শিকাব লাগিব আৰু বুৰঞ্জী ভূগোল অঙ্ক আদি বিষয় বোৰ তাৰ লগত সমবায় কৰিব লাগিব।

# বাৰ্ষিক আঁচনি

সকলো কামৰে আঁচনি কৰিব লাগে। আঁচনি নোহোৱাকৈ কাম কৰিলে তাৰ পৰা সুফল আশা কৰিব নোৱাৰি। কোনো পৰিকল্পনানুযায়ী আঁচনি তৈয়াৰ কৰি ললে কাম কৰাত সুবিধা হয়। কামৰ প্ৰতি পদক্ষেপত মাৰ্গ দৰ্শন হয়। কামত ক্ৰম বদ্ধতা আহে আৰু কাম কিমান কৰা হ'ল নহল তাৰ ঠিকনা পোৱা যায়। সেই কাৰণে প্ৰত্যেক শিক্ষকৰ কৰ্ত্তব্য যাতে তেওঁ গোটেই বছৰৰ কামৰ আগতে আঁচনি কৰি লয়। আঁচনি তৈয়াৰ কৰিব লাগিলে তলত দিয়া কথাবোৰ আহি পৰে যেনে—

(১) গোটেই বছৰত কিমান কাম কৰিব লাগিব।

(২) গোটেই বছৰত কিমান দিন কাম কৰা হব।

(৩) মুঠ ক্ৰিয়া শীলন কিমান হব।

(৪) কোন ক্ৰিয়া শীলনত কিমান সময় দিব লাগিব।

(৫) কোন ক্ৰিয়া শীলনত কিমান বস্তুৰ আৱশ্যক হব।

(৬) কোন কামত কিমান খৰচ পৰিব।

(৭) কোন কামত কিমান আমদানী হব।

(৮) কি কামৰ কাৰণে কিমান সময় উপযুক্ত হব।

(৯) কোনো কাম সম্পূৰ্ণ কৰিবলৈ কিমান জ্ঞানৰ আৱশ্যক হব।

(১০) কোনো বিশিষ্ট জ্ঞান প্ৰাপ্তিৰ কাৰণে কি কি

উপযোগী কিতাপৰ প্ৰয়োগ কৰিব লাগিব।

(১১) কোন কামত কোন লোকৰ সহায় লব লগাত পৰে।

(১২) কাম কৰা সময়ত কি কি বিষয়ত সতৰ্ক অৱলম্বন কৰিব লাগিব।

প্ৰত্যেক শিক্ষকে নিজৰ নিজৰ বৰ্গৰ আঁচনি তৈয়াৰ কৰিব। তলত দিয়া অনুযায়ী ক্ৰিয়া শীলনৰ আঁচনি কৰিব।

(১) বৰ্গৰ শিশুৰ গড় হিচাবে বয়স।

(২) বৰ্গত শিশুৰ সংখ্যা।

(৩) সময়ৰ বিৱৰণ।

(৪) কাম আৰু সময়ৰ ভাগ।

শিল্প কাম ( কটাই আৰু বাগিচাৰ কাম) শিল্প কামৰ ভিতৰত সূতা কটা আৰু বাগিচাৰ কামেই আছে। সেই বিষয়ে কিমান কাম কৰা হব।

কিমান কাম কৰা হল তাৰ হিচাব। সামাজিক কাম— ইয়াৰ ভিতৰত চাফাই শিশু সভা, পৰিভ্ৰমণ, মেলা উৎসৱ, জয়ন্তীৰ আয়োজন। বৰ্গৰ পত্ৰিকা প্ৰকাশ কৰা, সমাচাৰ পত্ৰ পঢ়া আৰু শুনোৱা। বনভোজ আয়োজন খেল ধেমালিৰ আয়োজন মনোৰঞ্জক কাৰ্য্যক্ৰম কৰা ইত্যাদি।

**প্ৰকৃতি পৰ্য্যবেক্ষণ :—**চন্দ্ৰ, সূৰ্য্য, দিন-ৰাতি, ঋতু পৰিবৰ্ত্তন, কুঁৱলী, নিয়ঁৰ, তুফান, ধুমুহা, বানপানী, নদনদী, ভূমিকম্প,

আগ্নেয় গিৰি, ঘৰচীয়া আৰু বনৰীয়া জন্তু, চৰাই-চিৰিকতি, কীট পতঙ্গ, বিষাক্ত সাপ, নানা তৰহৰ ফুল, গছ গছনি আদি সম্বন্ধ আহি পৰিব। আৰু সেই বিষয়ে ডায়েৰী লিখি ৰাখিব।

আকস্মিক বিবিধ কামো মাজে মাজে আহি পৰিব পাৰে। যেনে—মেলা, হাট, বজাৰ গাৱঁৰ সভা সমিতি, বটা বিটৰণ, খেল ধেমালি আদি। সেইবোৰত সহযোগ কৰা, সহায় কৰা—আদি সম্বন্ধেও আঁচনিৰ ভিতৰত থাকিব।

ওপৰত লিখা ক্রিয়া শীলনৰ আধাৰত মাতৃ ভাষা, গণিত, বিজ্ঞান, সমাজ বিজ্ঞান, সাধাৰণ বিজ্ঞান, চিত্রকলা আদি বিষয়বোৰৰ জ্ঞান লাভ হব।

## মাতৃ ভাষা :—

(ক) আত্মভাব প্রকাশ,—শিশু সভা, সাংস্কৃতিক সভা, জয়ন্তী, উৎসৱ, পৰ্ব্ব, আৰু পঠন। পঠন আদিত শিশুৱে নিম্ন লিখিত বিষয়ৰ নিজৰ বিচাৰ প্রকাশ কৰিব।

(১) নিজৰ কামৰ আঁচনি সম্বন্ধে চৰ্চ্চা কৰা।

(২) খেতি বাগিচা, কপাহ ধুনা, সূকা কটা সম্বন্ধে প্রগতিৰ বৰ্ণনা কৰা।

(৩) নিজৰ ঘৰ আৰু গাওঁ সম্বন্ধে খবৰ শুনোৱা।

(৪) নিজ বৰ্গ আৰু স্কুলৰ ব্যৱস্থা সম্বন্ধে নিজৰ মত প্রকাশ কৰা।

(৫) খেল ধেমালিত নিজৰ বিচাৰ দিয়া ।

(৬) জনা খবৰ শুনোৱা ।

(৭) তলত দিয়া ভিন্ন ভিন্ন সাংস্কৃতিক কাৰ্য্যক্ৰমত নিজৰ অভিমত জ্ঞাপন কৰা ।

(ক) আমাৰ দেশ ।

(খ) শ্ৰীশ্ৰীশঙ্কৰ মাধব দেৱৰ জীৱনী ।

(গ) জাতীয় ত্ৰিৰঙ্গ নিচান ।

(ঘ) বাপুজীৰ জীৱনী ।

(ঙ) সৰ্ব্বোদয় পক্ষ ।

(চ) বৃক্ষৰোপন সপ্তাহ ।

(ছ) কপাহ খেতি ।

(জ) শ্ৰীকৃষ্ণৰ জীৱনী ।

(ঝ) শ্ৰীৰামচন্দ্ৰৰ জীৱনী ।

(ঞ) বুদ্ধদেৱৰ জীৱনী ।

(ট) মহাবীৰৰ

(৮) তুলসী দাস, সুৰ দাস, কবিৰ, মীৰাবাঈৰ জীৱনী ।

(৯) ৰবীন্দ্ৰনাথ, গোপীনাথ, তৰুণ ফুকন ।

(১০) ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদ ।

(১১) জৱাহৰ লাল নেহৰু ।

(১২) সন্ত বিনোৱা আৰু ভূদান যজ্ঞ ।

(১৩) দৌলযাত্ৰা আৰু বিহু ।

(১৪) মহাপুৰুষৰ তিথি পালন।

(১৫) স্বাধীনতা দিবস।

(খ) মাতৃভাষাৰ লিখা কাম :—

১। আঁচনি লিখা।

২। প্ৰগতিৰ বিষয়ে লিখা।

৩। ডায়েৰী লিখা।

৪। পৰ্য্যবেক্ষণৰ ৰিপোৰ্ট লিখা।

৫। খবৰ সংগ্ৰহ কৰা আৰু খবৰৰ বিষয়ে লিখা।

৬। সমাচাৰ পত্ৰৰ মুখ্য খবৰৰ টোকা লিখা।

৭। নিৰ্দ্ধাৰিত বিষয়ৰ টোকা লিখা।

৮। স্কুলৰ পত্ৰিকালৈ প্ৰবন্ধ দিয়া।

৯। উপযোগী পত্ৰ লিখা।

১০। শ্ৰুতলিপি লিখা।

১১। পঢ়া কবিতাৰ সাৰাংশ লিখা।

১২। সৰু গল্প সংগ্ৰহ কৰা।

১৩। খণ্ডবাক্য আৰু কিমবদন্তি সংগ্ৰহ কৰা।

১৪। শিল্প কামৰ বিষয়ে লিখা।

১৫। ৰচনা লিখা যেনে :—খেতি, গৰু, ঘোঁৰা, হাতী, ছাগলী, টাকুৰী, যঁতৰ, স্কুল, গাওঁ, গ্ৰীষ্মকাল, শীতকাল, বসন্ত, ইন্দ্ৰ ধনু আদি বিষয়ে।

(গ) মাতৃভাষা পঢ়া :—

১। বিভিন্ন দেশৰ শিশুৰ কাহিনী।

২। নিজ দেশৰ কাহিনী।

৩। খেতিৰ কথা।

৪। দেশৰ নেতা সকলৰ কাহিনী।

৫। নতুন বছৰ।

৬। গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত আৰু বসন্ত ঋতুৰ কথা।

৭। দৌলযাত্ৰা, বিহু দীপালী আদিৰ কথা।

৮। বৰগীত।

১০। সৰল কবিতা, ভজন।

(ঘ) মাতৃ ভাষা ব্যৱহাৰিক ব্যাকৰণ—পুস্তক অধ্যয়ন আৰু ভিন্ন ভিন্ন ৰেকৰ্ড লিখাৰ কাৰণে যাতে শিশুৱে শুদ্ধ ভাবে লিখিবলৈ আৰু পঢ়িবলৈ অভ্যাস কৰে তাৰ কাৰণে শিক্ষকে মনোযোগ দিব।

বচন, লিঙ্গভেদ, বিভক্তি, বাক্য শুদ্ধি, বাক্য ৰচনা. সাধাৰণ বাক্যৰ পদ পৰিচয় আদিৰ সাধাৰণ জ্ঞান শিশুৱে পাব লাগিব।

## কবিতা পাঠ —

(ক) বিভিন্ন ক্ৰিয়াশীলনৰ কবিতা পাঠ।

(খ) নীতি সম্বন্ধীয় কবিতা পাঠ।

(গ) কৰ্ম্ম সঙ্গীত, শাৰীৰিক ব্যায়াম সঙ্গীত।

(ঘ) ভজন গীতি, সংস্কৃতৰ সৰল শ্লোক আদি।

## গণিত

অন্ন বস্ত্র সম্বন্ধীয় কথাৰে গণিতৰ বিষয়ে শিক্ষা দিব পৰা যায় যেনে—অন্ন সম্বন্ধীয়—খেতিৰ মাটি বাচি লোৱা। তাক সৰু সৰু ভাগত ভাগ কৰা। পাচত ক্ষেত্ৰফল উলিয়াই গুটি সিচা। সময় আৰু পুলিৰ বিকাশৰ হিচাব ৰখা। তৈয়াৰী ফচলৰ দাম ঠিক কৰা, তাক বিক্ৰীৰ ব্যৱস্থা কৰা, লাভ লোকচানৰ হিচাব ৰখা ইত্যাদি।

মাটিৰ ক্ষেত্ৰ ফল উলিওৱাত বিঘা, কঠা, লোচা, আদিৰ প্ৰশ্ন আহিব। ফচলৰ দাম উলিওৱাত টকা অনা পাইৰ আৰু মোণ, সেৰ ছটাক, তোলা আদিৰ প্ৰশ্ন আহিব। মাটি, বৰ্গক্ষেত্ৰ ত্ৰিভুজ ক্ষেত্ৰৰ প্ৰশ্ন ও উঠিব।

**বস্ত্ৰ সম্বন্ধীয় :**—বস্ত্ৰ বয়ণৰ কাম হাতত ললে তাৰ আঁচনি কৰিব লাগিব। আঁচনিত থাকিব সূতা কটা আৰু বয়নৰ গতি, প্ৰগতিৰ হিচাব, কটাই আৰু বয়ণৰ কাৰণে কেঁচা মালৰ আৰু যন্ত্ৰ ফিট কৰা, মেৰামতি কৰা শ্ৰেণীৰ সামূহিক প্ৰগতিৰ হিচাবৰখা ইত্যাদি। এইবোৰ কামৰ দ্বাৰা শিশুক গণিত সম্বন্ধে বহু জ্ঞান দিব পৰা যায়। যেনে—

টকা, অনা, পাই

মোণ, সেৰ, ছটাক, তোলা।

দিন, ঘণ্টা, মিনিট, চেকেণ্ড আদি।

**ৰচী**—খাতা ৰখা, ৰচিদ কাটা, মজুৰিৰ হিচাব ৰখা। যঁতৰ আৰু শালৰ বিভিন্ন অংশ জোখা, বৃত্তৰ ক্ষেত্ৰ ফল বাহিৰ

কৰা, আয়ত ক্ষেত্ৰ, বৰ্গ ক্ষেত্ৰ, ত্ৰিভুজ ক্ষেত্ৰৰ জ্ঞান ইত্যাদি।

## —সমাজ বিজ্ঞান—

সূতা কটা আৰু বয়নৰ কাম।

(ক) ১। খাদীৰ কাহিনী।
২। খাদী আৰু মিল।
৩। কুটীৰ শিল্প আৰু মিল।
৪। কপাহ খেতি।
৫। কপাহৰ উৎপন্ন কেন্দ্ৰ স্থলৰ আলোচনা।
৬। খাদী ভাণ্ডাৰ।
৭। খাদী আৰু সমাজ।
৮। খাদীৰ আৰ্থিক দৃষ্টি।

(খ) খেতিৰ কাম—
১ মৌচুমি, শাক পাচলি উৎপাদনত সাৰৰ প্ৰয়োগ।
২। পানী সিঞ্চনৰ ব্যৱস্থা কৰা।
৩। স্থানীয় হাট বজাৰত বেচিব লগীয়া শাক পাচলি।
৪। বীজ সঞ্চয় আৰু সুৰাক্ষিত ভাবে ৰাখিবলৈ উপায় উদ্ভাবন কৰা।
৫। মৌচুমী চাৰ্ট অকাৰ মহত্ব উপলব্ধি কৰা।

(গ) সামাজিক কাম সম্বন্ধীয়—
১। শৰীৰ, কাপোৰ পৰিষ্কাৰ কৰি ৰখাৰ আৱশ্যকতা।
২। বস্ত্ৰ পৰিপাটিকৈ ৰখা।

৩। প্ৰণাম কৰাৰ নিয়ম জনা।

৪। আগন্তুকক সম্বৰ্দ্ধনা কৰাৰ নিয়ম জনা।

৫। খোৱা পানী ভালকৈ ৰখা।

৬। গল্প জনা।

যেনে— ৰাম, কৃষ্ণ যীশু, মহম্মদ, বুদ্ধ, মহাবীৰ, চৈতন্য, নানক, কবীৰ, তুলসী দাস, সুৰ দাস আদি।

৭। স্থানীয়, প্ৰান্তীয়, ৰাষ্ট্ৰীয় আৰু অন্তৰ্ৰাষ্ট্ৰীয় খবৰৰ বিষয়ে জনা।

৮। কপাহৰ জাতি, পোৱা ঠাই, তাক নিয়াৰ ৰাস্তা, উৎপত্তি কেন্দ্ৰৰ নাম, বিভিন্ন দেশৰ লগত সম্বন্ধ।

স্থানীয় উৎপন্ন বস্তু, বৰ্ষা, বতাহ, মেলা, হাট-বজাৰ, ৰাজ্যৰ মুখ্য ৰোজগাৰ, স্থান, দেশ বিদেশৰ চালু হোৱা লাগতিয়াল বস্তু, আৰু তাক পোৱাৰ ঠাই। নদ-নদী, ধুলি, বালি, পাহাৰ পৰ্ব্বত, গছ-লতা, হাবি বন, পশু-পক্ষী স্ত্ৰী পুৰুষ আদিৰ জ্ঞান।

৯। গ্ৰাম, মহকুমা, জিলা, ৰাজ্য, দেশ মহাদেশ আৰু তাৰ নক্সা অঁকা। গ্লোব আৰু ৰিলিফ মেপৰ ব্যৱহাৰ কৰা ইত্যাদি।

## সাধাৰণ বিজ্ঞান

(ক) অন্ন সম্বন্ধীয়—

১। মাটি সমতল কৰা, সমান আঁতৰত বীজ ৰোপন কৰা, আৱশ্যক হলে পানী সিঞ্চন কৰা, ঘাঁহ বন নিৰোৱা, সাৰ দিয়া প্ৰণালী জনা।

২। মাটি সম্বন্ধে জ্ঞান

৩। ভাল বীজ চিনি পোৱা।

৪। খেতিৰ অনিষ্টকাৰী পশু পক্ষী, কীট পতঙ্গৰ অধ্যয়ন কৰা।

(খ) বস্ত্র সম্বন্ধীয়—

১। সূতা কটা আৰু বয়নৰ ওপৰত কুঁৱলী আৰু শুকান বতাহৰ প্ৰভাৱ।

২। সেমেকাৰ কাৰণে কপাহ, সূতাৰ ওজনৰ হীন ডেঢ়ি।

৩। টাকুৰীৰ শলা গধূৰ হলে গতি কম হোৱা।

৪। শলা কাঠি পোন হোৱা।

৫। যঁতৰ আৰু ধেমুত চামৰাৰ প্ৰয়োগ।

৬। যঁতৰত তেল ব্যৱহাৰ।

৭। সূতা কটা সময়ত কলা কাপোৰ ব্যৱহাৰ কৰা ইত্যাদি।

(গ) সমাজ সম্বন্ধীয়—

১। নিজৰ শৰীৰ পৰিষ্কাৰ কৰি ৰখা, নিয়মিত ভাবে প্ৰতিদিন স্নান কৰা, পোছাক পৰিচ্ছদ পৰিষ্কাৰ কৰা মুক্ত বতাহত থকাৰ উপকাৰিতা।

২। বিশুদ্ধ আৰু অশুদ্ধ পানী চিনা।

৩। স্বাস্থ্যৰ সাধাৰণ নিয়ম জনা।

৪। আহাৰ সম্বন্ধীয় সকলো বিষয়ৰ জ্ঞান।

৫। খোৱা বস্তুৰ ভাল বেয়া জ্ঞান।

৬। তিথি ভেদে খাদ্যাখাদ্যৰ জ্ঞান।

৭। শৰীৰৰ অঙ্গ প্ৰত্যঙ্গৰ আৰু তাৰ কাম সম্বন্ধে জ্ঞান।

৮। খোৱা বস্তু আৰু মাখি, পোক আৰু তাৰ জীৱন সম্বন্ধে জ্ঞান।

৯। খোৱা বস্তু পচি নোযোৱাকৈ সুৰক্ষিত ভাবে ৰখা।

(ঘ) প্ৰকৃতি সম্বন্ধীয় (সৌৰ জগত)—

১। গ্ৰীষ্ম, বৰ্ষা আদি ঋতুৰ জ্ঞান।

২। জীৱনৰ ওপৰত ৰ'দ বতাহৰ প্ৰভাব।

৩। দিন ৰাতি দীঘল চুটি হোৱাৰ কাৰণ।

৪। ৰামধেনু, বিজুলী, ধুমুহা, তুফান, ধুমকেতু, পৰ্ণীয়া তৰা ইত্যাদিৰ কাৰণ জনা।

৫। চন্দ্ৰকলা হ্ৰাস বৃদ্ধি হোৱাৰ কাৰণ জনা।

৬। সপ্তৰ্ষি মণ্ডল আৰু ধ্ৰুব তৰাৰ বিষয়ে জনা।

৭। চন্দ্ৰ সূৰ্য্য গ্ৰহ আদিৰ বিষয়ে জনা।

৮। চন্দ্ৰ গ্ৰহণ আৰু সূৰ্য্য গ্ৰহণ কিয় হয়, তাৰ জ্ঞান।

৯। পৃথিবীৰ আহ্নিক আৰু বাৰ্ষিক গতি সম্বন্ধে জনা।

## চিত্ৰ কলা

(৪) শিল্প সম্বন্ধীয়—

১। শিল্পৰ সঁজুলি বোৰৰ চিত্ৰ অঁকা।

২। গছ পাতৰ চিত্ৰ অঁকা আৰু ৰং দিয়া।

৩। খেতি, গাওঁ আদিৰ নক্সা অঁকা।

(খ) সমাজ সম্বন্ধীয়—

১। শ্ৰেণীৰ কোঠালী, স্কুল ঘৰৰ নক্সা।
২। ব্যবহাৰত অহা সামগ্ৰীৰ চিত্ৰ অঁকা।
৩। আল্পনা তৈয়াৰ কৰা।
৪। ফল ফুল আৰু গছ পাতৰ ছবি অঁকা।
৫। বাচন বৰ্ত্তনৰ চিত্ৰ অঁকা।

(গ) প্ৰকৃতি সম্বন্ধীয়—

১। মৌচুমি চাৰ্টৰ কাৰণে সীমা অঙ্কিত কৰা।
২। প্ৰাকৃতিক দৃশ্যৰ চিত্ৰ অঁকা।
৩। ফুল পাত, গছ আদিৰ স্মৃতি ছবি অঁকা।
৪। কীট পতঙ্গ, পশু পক্ষীৰ চিত্ৰ অঁকা।

## সঙ্গীত

শিশুৱে গান গাবলৈ অভ্যাস কৰিব। বাদ্য যন্ত্ৰৰ সহায়েৰেও গান গাবলৈ অভ্যাস কৰিব। যেনে—কীৰ্ত্তন, ভজন, বৰগীত, লোক গীত, শাস্ত্ৰীয় সঙ্গীত, নাটক, প্ৰহসন অনুকৃতি, কৰ্ম্ম সঙ্গীত, বনগীত, স্তোত্ৰ আদি গাবলৈ অভ্যাস কৰিব।

—×—

# সমন্বয় পাঠ টোকাৰ আৰ্হি

তাৰিখ ........ ..... .....

বাৰ·· ....................

বিদ্যালয়ৰ নাম ...........

বৰ্গ.....................১ম

ছাত্ৰৰ সংখ্যা··· ·····২০ জন

বয়সৰ গড়··········৬

বিষয়·················গণিত

পাঠ · ············· যোগ অঙ্কৰ জ্ঞান জন্মোৱা। ৫ ৰ যোগ নেওতা।

উদ্দেশ্য··········যোগ অঙ্ক কৰাৰ সাধাৰণ জ্ঞান দান আৰু ৫ৰ যোগ নেওঁতা সম্বন্ধে জ্ঞান দান। সংখ্যাৰ ধাৰণা আৰু পৰিচয়।

সমন্বীত বিষয় জ্ঞান···গণিত ; নেওতা।

মাধ্যম··· ··········উদ্যোগ কটাই।

সময়··················১০ বজাৰ পৰা ২½ বজালৈ।

সঁজুলি········· · ··· টাকুৰী, পাঁজি, কলি, পেঞ্চিল, বোৰ্ড, চক আদি।

শিক্ষক ·· ···· ···

[ ১০ বজাত বিদ্যালয়ত উপস্থিত হোৱা ]

চাফাই ১০—১০½ লৈ; আগৰ আঁচনি মতে চাফাই কৰা। ব্যক্তিগত আৰু সামূহিক।

[ চাফাই সম্পৰ্কে আৱশ্যকীয় কথোপকথন ]

প্ৰাৰ্থনা—আৰু আলোচনা—১০½—১১ লৈ—আগৰ আঁচনি অনুযায়ী প্ৰাৰ্থনা আৰু আলোচনা কৰা, ৰামধুন গোৱা, বাপুজীৰ জীৱনী সম্বন্ধে চমু আলোচনা কৰা।

১১—১২—লৈ—উদ্যোগ—কপাহ চাফ্ কৰা। উদ্যোগৰ সঁজুলিবোৰ চাফ্ কৰা। কপাহ চাফ কৰোঁতে আৱশ্যকীয় প্ৰশ্ন আদিৰে কৰা কামৰ আলোচনা কৰা।

মৌন কটাই বা সূত্ৰ যজ্ঞ ৩০ মিনিট।

[ বৰ্গ মন্ত্ৰীৰ দ্বাৰাই টাকুৰী, পাঁজি, উণি, ডাঠবকলা, বিতৰণ কৰা। সূতা কটা সম্বন্ধে আলোচনা। বহা নিয়ম, পাঁজি ধৰা নিয়ম, উণিত লোৱা নিয়ম, টাকুৰী ঘূৰোৱা। নিজৰ কটা সূতাৰ হিচাব ৰখা আদিৰ সাধাৰণ বুজনি ]

সূত্ৰ-যজ্ঞ সমাপ্ত হোৱাত নিজ নিজ সূতাৰ হিচাব ৰখা। কিমান বাৰ ছিগিল, আগ দিনাৰ সূতা আৰু আজিৰ সূতা লগলাগি উণিত কিমান হ'ল? কটাই সঁজুলি চাফ কৰা। নিজ নিজ ফলিত কটা সূতাৰ হিচাব লিখি ৰখা।

১২—১২½ লৈ জিৰণি।

১২॥—২॥ লৈ বিষয় জ্ঞান দান।

গণিত—আজিৰ কটা সূতা আৰু আগ দিনাৰ কটা সূতা প্ৰত্যেকৰ কিমান হৈছে? এজন এজনকৈ উত্তৰ লোৱা। কোনে

বেচি কাটিছে তাৰ নাম উল্লেখ কৰা। দুটা বা ততোধিক সংখ্যা লগলগোৱাকে যোগ কৰা বোলে ; বুজাই দিয়া লগে লগে সংখ্যাৰ ধাৰণাৰ জ্ঞান দিয়া। পাঁজি বা উণিৰ সূতাৰ সহায়ত সংখ্যা গণা। যেনে—

| | | |
|---|---|---|
| ৮+ | ৪ | ৬ |
| ৫+ | ৩ | ৪ |
| ৩ | ৮ | ৩ |

ওপৰোক্ত সংখ্যা কেইটিৰ যোগফল চোৱা। নোৱাৰিলে বোৰ্ডত বুজাই দিয়া। নিৰ্ভুল উত্তৰলৈ নিৰীক্ষণ কৰা। নিৰ্ভুল উত্তৰ পালে ক্রমে দহকৰ সংখ্যা পাতন, আৰু যোগ কৰিব দিয়া।

| | |
|---|---|
| ১০+ | ১০+ |
| ১১ | ১৩ |
| ১২ | ১৮ |

ওপৰোক্ত সংখ্যাৰ অঙ্ক বোৰ্ডত বুজাই দিয়া। লৰা-ছোৱালীৰ বুদ্ধিৰ বিকাশত সহায় কৰা।

চাৰ্টৰ সহায়ত ৫ ৰ যোগ নেওঁতা পঢ়ুৱা। মৌখিক আলোচনা। আজিৰ কামৰ আত্ম প্রকাশ কৰা। সমদলত খেল-ধেমালি কৰি দিয়া। শৃঙ্খলাৰে বৰ্গ ছুটি দিয়া।

[ শিক্ষকৰ ডায়েৰীত বিতং কৈ পাঠটোৰ সমালোচনা থাকিব ]

তাৰিখ ...........

বাৰ... ...........

বিদ্যালয়ৰ নাম........ ......

বৰ্গ.............. ... . ২য়

ছাত্ৰ সংখ্যা ·· ·· ·· ··১০ জন

বয়সৰ গড়········ ···৭ বছৰ।

বিষয়··· ··· ······.······মাতৃভাষা ।

পাঠ··················ভেণ্ডী খেতি ।

উদ্দেশ্য··· ·· · ···খেতিৰ আপডাল কৰিবলৈ শিকা আৰু আন আন বিষয়ৰ জ্ঞান দান।

সমন্বীত বিষয় জ্ঞান—মাতৃভাষা, চিত্ৰকলা, গণিত,

মাধ্যম··· ·· ··· প্ৰাকৃতিক ।

সময়··· ··· ··· ···১০—২॥ লৈ।

সঁজুলি··· ··· ··· ·· পাঠ দানৰ আৱশ্যকীয় সঁজুলি।

শিক্ষকৰ নাম·············

[ ১০ বজাত বিদ্যালয়ত উপস্থিত ]

চাফাই······ ১০ ১০॥—আঁচনি মতে চাফাই কৰা কাম।

প্ৰাৰ্থনা আৰু আলোচনা--

১০॥———১১———বৰ্গ মন্ত্ৰীৰ হতুৱাই যথাৰীতি প্ৰাৰ্থনা চলোৱা। শ্ৰীৰাম চন্দ্ৰৰ জীৱনীৰ চমু আলোচনা।

উদ্যোগ - ১১-১২॥···ধুনা, তুনাই কাম । পাঁজি বটা। আৱশ্যকীয় প্ৰশ্নৰ দ্বাৰাই উল্লেখিত বিষয়ৰ আলোচনা। মৌন কটাই সূত্ৰ যজ্ঞ-—৩০ মিনিট। কটাই হিচাব ৰখা। বৰ্গ চাফ্ কৰা। বাগিচাত গৈ আগতে পুতা ভেণ্ডি কিছুমানৰ গুৰিত সাৰ আৰু পানী দিয়া। যত্ন আৰু তদাৰক সম্বন্ধে বুজনি দিয়া।

১২॥—১ লৈ জিৰণি।

১—২॥ লৈ সমন্বীত বিষয় জ্ঞান।

চিত্রকলা—৩০ মিঃ বাগিচাত লাগি থকা ভেণ্ডী লৰা-ছোৱালী বোৰক নিৰিক্ষণ কৰিবলৈ দিয়া, আৰু ফলিত আকিবলৈ দিয়া। বোৰ্ডত চিত্র অঙ্কন। ফলি চাই-চিতি শুদ্ধ কৰি দিয়া আৰু আৱশ্যক হলে বহীত তোলা। ভেণ্ডী সম্বন্ধে প্রশ্ন! ইয়াক আমি কি কৰোঁ? ই কিহৰ পৰা হয়? গুটিৰ বৰণ কেনে? ইত্যাদি।

মাতৃ-ভাষা লিখন আৰু পঠন—

১ঘণ্টা [ সাহিত্য ৰচনা ] ভেণ্ডী এবিধ সুখাদ্য। ইয়াৰ বিজল বেচি। টেঙা দি খালে বিজল কমে। ভেণ্ডী কুমলীয়াতে খাব লাগে। পুৰঠ হলে খাব ভাল নেলাগে। ই গুটিৰ পৰা গজে। ইয়াক উদ্ভিদ বোলা যায়। ৩।৪ ফুট গজ দীঘল হলে গছৰ আগটো ছিগি পেলাব লাগে। তেতিয়া গছ জোপাৰ ঠাল ঠেঙুলি বেচি হয়। ফল বেচিকৈ ধৰে।

বোৰ্ডত এই পাঠ খিনি লিখি দি সমস্বৰে পঠন। আৰু লিখন। মাজে মাজে প্রশ্নৰ জৰিয়তে ভেণ্ডী সম্বন্ধে দান কৰা।

গণিত—৩০ মিঃ—স্কেল বা পইচাৰ সহায়ত ইঞ্চি আৰু ফুটৰ জ্ঞান দিয়া।

১২টা পইচাৰ সমান জোখ দীঘল খিনিকে এক ফুট

বোলে। বুজনি। এইদৰে গজ, মাইল ফাৰ্লংৰ চমু জ্ঞান দান।

৩।৪ ফুট ভেণ্ডী গছ ওখ হলে কিমান ওখ হব তাক দেখুৱাই দিয়া।

আৰ্য্যা মুখস্থ কৰোৱা।

| | |
|---|---|
| ১ পইছাক | ১ ইঞ্চি বোলে। |
| ১২ ইঞ্চিত | ১ ফুট। |
| ৩ ফুটত বা | ১ গজ। |
| ২ হাতত | |
| ১৭৬০ গজত | ১ মাইল। |
| ৮ ফাৰ্লং | ১ মাইল। |

ওপৰৰ আৰ্য্যাটোৰ সহায়ত মাটি জোখা হয় তাক বুজাই দিয়া। আৱশ্যক অনুভব হলে স্কেলৰ সহায়ত কোঠালি জোখ মাফ কৰা।

পুনৰ আলোচনাৰ দ্বাৰা আৰ্য্যা সম্বন্ধীয় আৰু ভেণ্ডী সম্বন্ধীয় চমু আলোচনা।

খেল ধেমালি কিছু সময় কৰিবলৈ দিয়া আৰু শৃঙ্খলা লগাই ছুটি দিয়া।

[ বিঃ দ্রঃ—শিক্ষকে পাঠ দানৰ কঠিনতা আৰু লৰাই পাঠ সম্বন্ধে জ্ঞান আহৰণ কৰা ডায়েৰীত বিতং শিক্ষা দান পদ্ধতি। লিখা থাকিব।

তাৰিখ...... ...

বাৰ............

বিদ্যালয়ৰ নাম.........

বৰ্গ...............৩য় ।

ছাত্ৰ সংখ্যা...............১২

বয়সৰ গড়... ... ... ... ৮

বিষয়... ... ... ... গণিত ।

পাঠ... ... ... ... আলু খেতি।

উদ্দেশ্য... ... ..... ওজন বিষয়ক শিক্ষা দান।

মোণ সেৰ ছটাক, তোলা,ৰ জ্ঞান দান।

সমন্বীত বিষয় জ্ঞান—গণিত, চিত্ৰকলা ।

মাধ্যম ....... প্ৰাকৃতিক, (কৃষি)

সময় ...........১০—৩॥ লৈ ।

সঁজুলি....... . পাঠ দানৰ আৱশ্যকীয় সঁজুলি ।

পাল্লা. দাগা, আদি ।

শিক্ষকৰ নাম........ [১০ বজাত বিদ্যালয়ত উপস্থিত হোৱা]

চাফাই—১০—১০॥—আঁচনি মতে কৰা ।

প্ৰাৰ্থনা, আলোচনা—১০॥—১১—আঁচনি মতে কৰা।

উদ্দেশ্য মৌন কটাই ৩০ মিনিট, শৃঙ্খলা লগাই ১১—১২॥ কৰা।

সূতাৰ হিচাব ৰখা। বাগিচা গৈ আলু তোলা কাম।

[ আলু তোলতে পোৱা পোক পকৰা লৈ নিৰিক্ষণ কৰা । ]

১২॥—১ জিৰণি ।

১—৩॥ লৈ সমন্বীত পাঠ দান। আলুৰ ওজন কৰা— ওজন বিষয়ক দাগা বোৰৰ চিনাক্ত কৰা প ল্লা ধৰা নিয়ম দেখুওৱা। ওজন কৰিবলৈ বহা আদি দেখুৱা গণিত আৰ্য্যা-

ওজন বিষয়ক।

| | |
|---|---|
| ১ টকাৰ ভৰক | ১ তোলা। |
| ৫ তোলাই | এক ছটাক ।/০ |
| ১৬ ছটাকে | /১ এক সেৰ |
| ৪০ সেৰে | ১/ মোণ। |

এই আৰ্য্যাটো বোৰ্ডত লিখি দিয়া। নোটত তোলা। মুখস্থ কৰা গণিত - এক সেৰ অলুৰ দাম ।/০ আনা হলে /৮ সেৰৰ দাম ?

এইদৰে ১/ মোণৰ দাম উলিওৱা নিয়ম—

বোৰ্ডত বুজাই দিয়া।

প্ৰশ্নৰ জৰিয়তে নিয়মটো পুণৰালোচনা কৰা।

৯। তোলা আলু ৯/৫ সেৰ হল! বজাৰত সেৰে ।/০ আনা কৈ বেচিলে কিমান পোৱা যাব। ( ঐকিক নিয়মে বুজনি )

/৯ সেৰৰ দাম ।/০ আনা ৯/৮ সেৰ

∴ ৪৮ সেৰৰ দাম ।/ × ৪৮ = ৪০

৪০

৫ আনা ৮

৪৮ ৪৮ সেৰ

∴ ১৬|২৪০ আনা

১৫৲ টকা উঃ। ১৫৲

অঙ্কটো পুঙ্খানু পুঙ্খ ৰূপে বুজনি। অঙ্কৰ বহীত তুলিব দিয়া। ঘৰত কৰিবলৈ তেনে ধৰণৰ অঙ্ক ৯টা কৰি আনিবলৈ দিয়া।

চিত্র কলা।...আলুৰ চিত্র এটা আকা।

পুণৰালোচনা—আলু খেতিৰ সম্বন্ধে আলোচনা—

আলু পুতা নিয়ম। কোন মাহত পুতা হৈছিল।
ই কিহৰ পৰা গজে। কোন মাহত তোলা হল।
ইয়াক আমি কি কৰোঁ। বৰ্ত্তমান বজাৰত ইয়াৰ দাম কিমান ইত্যাদি।

দৈনিক ডায়েৰী চাই শৃঙ্খলাৰে ছুটী দিয়া।

তাৰিখ.........

বাৰ....... ..

বিদ্যালয়ৰ নাম.... . .

বৰ্গ ... .. ৪ৰ্থ

ছাত্র সংখ্যা— ৯৫ জন।

বয়সৰ গড়— ১০ বছৰ

বিষয় .. .... সমাজ বিজ্ঞান।

পাঠ....... . বুদ্ধ জয়ন্তী।

সমন্বীত বিষয়.....সমাজ বিজ্ঞান নাট্যাভিনয়।

উদ্দেশ্য ... বুদ্ধ জয়ন্তীৰ ব্যাখ্যা! ভগৱান বুদ্ধদেৱৰ চমু জীৱনী। সমাজ পতি শৃঙ্খলাৰে বহা। নাট্যাভিনয়ৰ যোগেৰে বিকাশ নিৰিক্ষণ

কৰা আৰু শুদ্ধ উচ্চাৰণলৈ লক্ষ্য ৰাখা ।

মাধ্যম·· সমাজ ।

কিতাপ· অমৰ জীৱনী ।

সঁজুলি··· নাট্যাভিনয়ৰ কাৰণে লগা সৰঞ্জাম । হাঁহৰ চিত্ৰ এটি ।

শিক্ষা ··

১০ বজাত বিদ্যালয়ত উপস্থিত হোৱা । ১০—১০॥ চাফাই—অাঁচনি মতে কৰা । ১০—১১ প্ৰৰ্থনা আৰু আলোচনা ···
আগদিনা কৰা আঁচনি মতে ।
বুদ্ধদেৱৰ চমু পৰিচয় কোৱা ।

১১—১১॥ সূত্ৰ যজ্ঞ—শৃঙ্খলা লগাই কৰা আৰু সূতাৰ হিচাব ৰখা ।

১১॥—১২ লৈ জিৰণি—

১২॥—৩॥ লৈ সমবায়ী আঁচনি ।

বুদ্ধ জয়ন্তী উপলক্ষে সভা পতা । আন আন বৰ্গ আৰু শিক্ষকক নিমন্ত্ৰণ জনোৱা । বুদ্ধজয়ন্তীৰ ব্যাখ্যা কৰা অমৰ জীৱনীৰ পৰা বুদ্ধদেৱৰ জীৱনী পঢ়ি শুনোৱা । ব্যাখ্যা কৰি বুজাই দিয়া ।

ভূগোল ঃ—বুদ্ধদেৱৰ জন্ম ঠাই মেপত দেখুৱা । বুদ্ধদেৱে ঘূৰি ফুৰা ঠাই সমূহ দেখুওৱা ।

ইতিহাস ঃ—বুদ্ধদেৱৰ জীৱনী আৰু বৌদ্ধ ধৰ্ম্মৰ সাৰাংশ বুজনী । বাপুজী আৰু বুদ্ধদেৱৰ তুলনা কৰা ।

আৱশ্যকীয় নোট দিয়া ।

নাট্যাভিনয় :—শিশু নাটিকাৰ পৰা সিদ্ধাৰ্থ নাটকৰ এটা দৃশ্য দেখুওৱা। বুদ্ধদেৱৰ শিশুকালৰ আদৰ্শ দেখুওৱা দেৱদত্ত, সিদ্ধাৰ্থ, কাড়েবিন্ধা হাঁহ, বিচাৰক।

[ অভিনেতা সকলৰ ব্যক্তিগত বিকাশ ভঙ্গীলৈ নিৰিক্ষণ কৰা ]

বুদ্ধজয়ন্তী সম্বন্ধে ভুষাৰ কৰলৈ সুবিধা দান কৰা। সভাৰ কাম শৃঙ্খলাৰ সমাধা কৰা।

---

তাৰিখ—

বাৰ——

বিদ্যালয়ৰ নাম———

বৰ্গ ... ... ... ৫ম

বিষয়— সমাজ বিজ্ঞান

পাঠ— চৰ্খা জয়ন্তী ( ২ই অক্টোবৰ )

সমন্বীত বিষয় জ্ঞান—চিত্ৰকলা সমাজ বিজ্ঞান, সাধাৰণ জ্ঞান।

উদ্দেশ্য— ২ই অক্টোবৰ বাপুজীৰ জন্ম দিন আৰু চৰ্খা জয়ন্তীৰ তাৎপৰ্য্য জ্ঞান দান। দৈনন্দিন জীৱন যাপনত চৰ্খাৰ অবদান।

মাধ্যম— কাটাই।

সঁজুলি— কিষান চৰ্খা, আৰু আন আন লাগতীয়াল সঁজুলি।

কিতাপ— কপাহৰ পৰা কাপোৰলৈ।

সময়— ১০—৩॥ বজালৈ।

শিক্ষকৰ নাম--

১০ বজাত বিদ্যালয়ত উপস্থিত হোৱা।

১০—১০॥ চাফাই-- পূৰ্ব্বৰ আঁচনি মতে কৰা।

১০॥—১১ প্ৰাৰ্থনা আৰু আলোচনা—আঁচনি মতে শৃঙ্খলাৰে কৰা।

১১—১২॥—উদ্যোগ সামূহিক ভাবে কপাহ নেওতা, ধুনা, পাঁজি কৰা কাম।

[বৰ্গ মন্ত্ৰীৰ হতুৱাই কপাহ জোখ্যা পাঁজিৰ ওজন লোৱা কাম কৰা]

সূত্ৰ যজ্ঞ—৩০ মিঃ—কটাই চাটিত প্ৰত্যেকৰ গতি লিখা।

১২॥—১ লৈ জিৰণি—

১—৩॥ লৈ সমবায়ী শিক্ষা দান।

চিত্ৰকলা—কিষাণ চৰ্খা এটাৰ চিত্ৰ আকিবলৈ দিয়া। নিৰিক্ষণ কৰা, আৰু শুদ্ধকৈ আকিবলৈ দেখুৱা।

সাধাৰণ জ্ঞান—কিষাণ চৰ্খাৰ অংশবোৰৰ পৰিচয়। কাঠ আৰু লো সম্বন্ধে বুজনি। আন আন ধাতু সম্পৰ্কে চমু আভাষ দান। গতি চক্ৰ মূল চক্ৰ ম'লৰ শালাকাঠি ঘূৰ্ণনৰ সম্বন্ধে জ্ঞান দান। বৃত্ত ত্ৰিভূজ, কেন্দ্ৰ আদিৰ দেখুৱাই দিয়া আৰু সংজ্ঞাৰ টোকা দিয়া।

সমাজ বিজ্ঞান—২ই অক্টোবৰ বাপুজীৰ জন্ম দিবস। এই দিনটো পালন কৰা উৎসৱক চৰ্খা জয়ন্তী ৰূপে

পৰিগণিত হৈছে। চৰ্খাৰ উপকাৰিতা সমাজত ইয়াৰ গুৰুত্ব। বাপুজীৰ জীৱন দৰ্শন চমু টোকা দান। চৰ্খাৰ বেলেগ বেলেগ আকৃতি দেখুওৱা। চৰ্খা আৰু বাপুজী সম্বন্ধে জ্ঞান দান। প্ৰশ্নৰ জৰিয়তে পুনৰালোচনা। মোট লিখা আৰু পঢ়া।

শৃঙ্খলা লগাই বৰ্গ ছুটী দিয়া।

[ শিক্ষকৰ ডায়েৰীত এই বিষয়ে বহলাই লিখা থাকিব ]

# বিশেষ পাঠদান পদ্ধতি

বিদ্যালয় -- প্ৰেক্টিচিং ।

বৰ্গ — ৫ম ।

তাৰিখ — ১।১১।৫৫

বাৰ — ......

সময় — ১২—১॥ বজালৈ—( ১॥ ঘণ্টা )

ছাত্ৰৰ উপস্থিত—১২ জন

বয়সৰ গড় — ১৪ বছৰ

বিষয় - সাধাৰণ বিজ্ঞান । ( কৃষি )

সমন্বিত জ্ঞান — সাধাৰণ জ্ঞান আৰু চিত্ৰকলা ।

উদ্দেশ্য — ১। পচন সাৰ কৰা প্ৰণালী ।

২। ঋতু অনুসৰী গাঁত কৰাৰ নিয়ম ।

৩। গাঁতৰ পৰিমাফ্ সাৰৰ ওজন ।

৪। আন আন পদ্ধতি ।

মাধ্যম -- কৃষি ।

সঁজুলি -- টুকুৰি, কোৰ, ফিটা, চকমাটি, বোৰ্ড, কাগজ পেন্সিল, গোবৰ-জাবৰ চূণ-ছাই গৰুৰ মূত, বাল্টি আদি

শিক্ষক - শ্ৰীহংসধৰ শৰ্ম্মা ।

১০ বজাৰ পৰা ১২ বজালৈ হোৱা কামৰ শেষত জিৰণিৰ পিচত নিৰ্দ্দিষ্ট সময়ত ৫ম বৰ্গৰ চাফাই মন্ত্ৰীৰ হতুৱাই উল্লেখিত সঁজুলি বোৰ গোটোৱা, নিৰিক্ষণ কৰা, আৰু সকলো ছাত্ৰ ছাত্ৰীয়ে সেই সঁজুলি লৈ আগতে খান্দি থোৱা গাঁতৰ ওচৰলৈ নিয়া ;

## কামৰ আঁচনি বা—স্পষ্টি কৰণ :—

সাধাৰণ পদ্ধতি—( Simple method )

এই সাধাৰণ পদ্ধতিৰ এটা গাঁত খন্দোৱা । গাতৰ জোখ হব :—৬´ ফুট দীঘল 8´ ফুট পুতল—২´ ফুট গভীৰ । ইয়াৰ কাৰণে ১০ জন ছাত্ৰ খতুৱা হ'ব । চূন /২ সেৰ কিনা হ'ব । তাত খৰচ কৰা হব ৵৹ আনা । বাগান আৰু স্কুল ঘৰ চাফা কৰা জাবৰ বিলাক গাঁতৰ ওচৰলৈ নিয়া হব ; লগতে গৰুৰ মুতৰ মাটি, ছাঁই আদি থিক কৰি লোৱা হব । এটা বাল্টিত পানী নি ৰখা হব ।

## সমন্বয়ৰ কামৰ আঁচনি :—

(১) সাধাৰণ পদ্ধতিটো খৰালি দিনত কৰা হব ।

(Dry weaking method) এই নিয়ম সম্পূৰ্ণ বুজাই দিম ।

(২) মায়া দাসৰ পদ্ধতি : Method of the Maya Das Process.)

(৩) কিউ, আৰ পদ্ধতি :—(Q. R. Process.)

(8) বৰষুণ বতৰত কৰা পদ্ধতি :—(Rainy season Method.)

বিঃ দ্ৰঃ—১নং পদ্ধতিটোহে আজি হাতে কামে কৰা হব । বাকী,

কেইটাৰ চমু আভাস দিয়া হব। কিন্তু কৰ্ম্ম কেন্দ্ৰিক নহয়।

## বিধি :—

৬´×৪´×২´ গাঁতত ১নং জাৰৰ, ২নং গোৱৰ, ৩নং গৰুৰ মুতৰ মাটি, ৪নং চূনৰ গুৰি, ৬নং ছাঁই।

জাৰৰ ৬´´ ইঞ্চি দাঠকৈ দিম। গোৱৰ ১´´ইঞ্চিৰ পৰা ৩´´ ইঞ্চিলৈ গৰুৰ মুত পৰা মাটি ১´´ ইঞ্চি, চূনৰ গুৰি ½´´ ইঞ্চি আৰু ছাঁই ইয়াৰ—ওপৰত মিহিকৈ চতিয়াই দিয়া হব। এই নিয়মেৰে গাঁতটো পূৰ হবলৈ ১´ ফুট বাকী থকালৈ উক্ত প্ৰণালী মতে বস্তুবোৰ দি থাকিম। ১´ ফুট খালি হৈ থাকোতে কিছু পানী ঢালা হব। এদাল মাৰিলে বস্তুবোৰ ওলট পালট কৰি দিয়া হব। আৰু এই খালি অৱস্থাত ১৪ দিন (দুই সপ্তাহ) ৰাখি দিয়া হব। দুই সপ্তাহৰ মূৰত আকৌ আগৰ নিয়মেৰে জাৰৰ আদি দি গাঁতটো পূৰ কৰিম। গাঁতটোত কিছু পানী ঢালি ২´´ ইঞ্চি বাকী থাকোতে মাটিৰে গাঁতটো বন্ধ কৰি কৰি দিয়া হব।

## পাঠ :—

এই সাৰ তিনি মাহৰ মূৰত উপযুক্ত হব। এপ্ৰিল মাহত কৰিলে জুন মাহত আমাৰ ধান খেতিৰ সময়ত লগাব পৰা যাব। আজি যিটো গাঁতত পচন সাৰ তৈয়াৰ কৰিলো ইয়াত আমি ১ টন (২৭॥ মোণ) হব। এবিঘা মাটিত ৩৩/ মোণ সাৰ দিলেই হব। এক একৰ মাটিত (৩ বিঘা ২॥ লেচা)

১০০/ মোণ দিব লাগিব। দ বা উর্ব্বৰা মাটিত ইয়াতকৈ কম দিলেও হব। এবিঘা কুঁহিয়াৰ খেতিত ৬৬/ মোণ সাৰ দিব লাগিব। আজি আমি যিটো নিয়মে পচন সাৰ তৈয়াৰ কৰিলো এই নিয়মক সাধাৰণ পদ্ধতি বোলে।

## (১) মায়া দাসৰ পদ্ধতি :—

( Method of the Maya Dass. )

গাঁতৰ জোখ :—দীঘল ৬´ ফুট, পুতল এফালে ৪´ ফুট আৰু এফালে ৩॥´ ফুট. দ এফালে ৪´ ফুট, আনমূৰে ৩॥ ফুট কৰিব লাগিব। এই ৪´ ইঞ্চি নলী তিনিটাত খোলা গুটি বা শিলগুৰি দিব লাগিব। যাতে বায়ু চলাচল কৰিব পাৰে। ১নং গাঁতটোত ২নং নলী আগতে লগাই থব লাগিব। কাৰণ বতাহ চলাচল কৰিবৰ বাবে। বাকী নিয়ম সাধৰণ পদ্ধতিৰ তদ্ৰুপ।

## ২। কিউ, আৰ, পদ্ধতি :—

( Q. R. Process )

এই পদ্ধতিটো যি কোনো ঋতুতে কৰিব পাৰি। এই পদ্ধতিটো মাটিৰ ওপৰত কৰিব লাগিব। ইটাৰ বেৰ হলে বেচি ভাল, নহলে বাহৰ চোঁচ দি তাৰ ওপৰত মাটিৰ লেপ দিব লাগিব। আৰু ১॥´´ ইঞ্চি বহলৰ গাত কেইটামান ৰাখিব লাগিব। জাবৰ, গোবৰ আদি সাধৰণ পদ্ধতিৰ দৰে। মাত্র ১ চাহ চামুচ কিউ, আৰ পাউদাৰ ১/॥৹ সেৰ পানীৰ

লগত ২ ঘণ্টা তিয়াই থৈ উক্ত সৰু গাঁতত, গাঁত বন্ধ কৰিবৰ সময়ত পাউদাৰ খিনি ভাল দৰে লৰাইলৈ প্ৰত্যেক গাঁততে ।/০ ছটাক কৈ দি গাঁত বন্ধ কৰিব লগিব। কিছু দিনৰ মুৰত এই সৰু গাঁতবোৰ খুলি চালে যদি মল, মলকৰি সুগন্ধি পোৱা যায় তেন্তে সাৰ থিক উপযুক্ত হৈছে। যদি ভাল নোগোন্ধায় তেন্তে সাৰ উপযুক্ত হোৱ নাই।

## সিংহাবলোকন বা

প্ৰশ্নাৱলী ঃ –

প্ৰঃ সাধৰণ পদ্ধতিৰ কিমান মাফৰ হব লাগে ?

প্ৰঃ গাঁতত কি দৰে জাৱৰ জোঠৰ দিবা ?

প্ৰঃ গাঁতটো অপূৰ্ণ কৈ কিমান দিন ৰাখব লাগে ?

প্ৰঃ এই সাৰ কেই মাহত উপযুক্ত হয় ?

প্ৰঃ এই গাঁতটোত কিমান মোণ সাৰ হব ?

প্ৰঃ এবিঘা মাটিত কিমান সাৰ হয় ?

প্ৰঃ কুঁহিয়াৰ খেতিত কিমান সাৰ লাগে ?

প্ৰঃ মায়া দাসৰ পদ্ধতি কেনেকুৱা ?

প্ৰঃ আৰু কি বেলেগ গাঁত লাগে ?

প্ৰঃ কিউ, আৰ পদ্ধতি কোন কোন সময়ত কৰিব পাৰি ?

প্ৰঃ সৰু গাঁতবোৰত কি দিব লাগে ?

প্ৰঃ সাৰ হৈছেনে নাই কেনেকৈ জানিবা ?

ইত্যাদি প্ৰশ্ন ধৰি তাৰ উত্তৰ নোৱাৰিলে মই সহযোগ

কৰিম। আৰু স্পষ্ট হিচাবে উত্তৰ বিলাক দিব পাৰিব তেতিয়া মই উক্ত "পাঠৰ" যিটো ঘৰ আছে সিহঁতৰ নিজৰ নিজৰ বহিত লিখি লবলৈ দিম।

বিদ্যালয়ৰ নাম.........প্ৰেক্টিচিং স্কুল।

বৰ্গ... .. ... ... ..৫ম

তাৰিখ.........

বাৰ.................বুধবাৰ

বিষয়.................স্বাস্থ্য বিজ্ঞান (সাধাৰণ জ্ঞান)

সময় ................১০... ৩॥ লৈ।

সমন্বিত জ্ঞান ... ... ... ...গণিত, চিত্ৰকলা

উদ্দেশ্য— স্বাস্থ্য ৰক্ষাৰ নিয়মবোৰ বুজাই দিয়া আৰু আন আন বিষয়ৰ জ্ঞান দান কৰা।

মাধ্যম— সামাজিক পাৰিপাৰ্শ্বিকতা।

শিক্ষকৰ নাম—শ্ৰীমিহিৰ চন্দ্ৰ কলিতা।

[ ১০ বজাত স্কুলত উপস্থিত হোৱা। চাফাইৰ সঁজুলিবোৰ বৰ্গ মন্ত্ৰীৰ হতুৱাই নিৰীক্ষণ কৰা। দল বান্ধি চাফাই কামত লগোৱা ]

১০—৩০ মিঃ চাফাই বিদ্যালয়ৰ কোঠা, সাৰা, বাগিচা চাফ্ কৰা, কুঁৱাৰ পাৰ চাফ্ কৰা, পেচাব খানা, চাফ্ কৰা, ব্যক্তিগত নখ, হাত, ধৰি ধুৱা ]

[ চাফ্ কৰোঁতে পেলনীয়া বস্তবোৰ পচন সাৰৰ গাঁতত পেলোৱা ]

১০॥—১১ লৈ—প্ৰাৰ্থনা আলোচনা চাফাই কাম শেষ কৰি উঠি

প্ৰাৰ্থনাত শান্তিপূৰ্ণ ভাবে শৃঙ্খলাৰে সমাধা কৰা। প্ৰাৰ্থনাৰ ব্যাখ্যা আৰু নীতিমূলক কথপোকথন।

১১—১২॥— উদ্যোগ

৩০ মিঃ — মৌনকটাই, বা সূত্ৰযজ্ঞ। সূত্ৰযজ্ঞ সমাপ্তৰ পিচত আৱশ্যক অনুযায়ী তুলা ধুনা পাজি কৰা কাম।

সূতা চিগা, গতি বৃদ্ধি কৰা, আৰু সংজুলিৰ পৰিচয় সমন্ধে আলোচনা আৰু নোট দিয়া টাকুৰীৰ ওজন; আকৃতি, যঁতৰ অংশবোৰৰ নাম ইত্যাদি উদ্যোগ কোঠা চাফ কৰা।

১২॥ ১ বজালৈ জিৰণি।

[ ছাত্ৰৰ আগদিনাৰ ডায়েৰী নিৰীক্ষণ ]

১ বজাৰ পৰা ৩॥ বজালৈ

স্বাস্থ্য বিজ্ঞান—৫০ মিঃ—চাফাইৰ উদ্দেশ্য আৰু তাৰ লাভ? চাফাই কেই প্ৰকাৰে কৰিব পাৰি? সামূহীক চাফাইত দলগত ভাবে কৰাৰ পৰা লাভ? ব্যক্তিগত চাফাইত শৰীৰৰ উপকাৰিতা?

এইবোৰ প্ৰশ্নেৰে স্বাস্থ্যৰক্ষাত চাফাই স্থান বিশদ ভাবে আলোচনা কৰা।

চাফাই সম্বন্ধে কিতাপৰ পৰা পঢ়িবলৈ দিয়া টোকাঃ— সাধাৰণ স্বাস্থ্য ৰক্ষাৰ কাৰণে তলত দিয়া নিয়ম কেইটা মান চলিব লাগে।

১। চাফ চিকুণতা

২। বিশুদ্ধ বায়ু

৩। পৰিমিত আহাৰ।

৪। নির্ম্মল পানী।

৫। নিয়মিত শ্রম।

৬। নিয়মিত টোপনি।

৭। প্রফুল্ল মনে থকা।

৮। ৰাগিয়াল বস্তু পৰিত্যাগ কৰা।

এই কেইটী কথা লক্ষ্য ৰাখি তলত দিয়া কথাবোৰলৈ সতর্কতা অবলম্বন কৰা।

১। য'তে ত'তে থু, খেকাৰ, সেঙ্গুন নেপেলোৱা।

২। য'তে ত'তে শৌচ পেচাব নকৰা।

৩। য'তে ত'তে আবর্জনা দম কৰি নেপেলোৱা।

৪। মাখি পৰা বস্তু নোখোৱা।

৫। জিভা সংযত কৰা।

৬। য'তে ত'তে যেই সেই বস্তু নোখোৱা।

৭। অপৰিমত ভোজন কৰা।

[ টোকা বোর্ডত লিখি দিয়া আৰু নোটত তুলি লোৱা ]

গাওঁৰ বর্ত্তমান এইবোৰ অভ্যাসৰ কাৰণে বেমাৰ বেচি হয়।

গণিত—৪০ মিঃ – চাফাই কৰা মাটিৰ ক্ষেত্রফল উলিয়াবলৈ কালি পৰিমান আর্য্যাৰ সহায়েৰে ক্ষেত্রফল উলিয়াবলৈ শিকোৱা। (দীর্ঘ × পুতল – ক্ষেত্রফল) ১২০ হাত দীর্ঘ ২০ হাত পুতল। অঙ্কৰ নিয়ম বুজি পালে, সেই নিচিনা অঙ্ক কৰিবলৈ দিয়া। চিত্রকলা – ৩০ মিঃ—চাফাইৰ সঁজুলি এটা—কোদাল এখন।

দৈনিক ডায়েৰী লিখা।

খেল ধেমালি—শৃঙ্খলা লগাই খেল-ধেমালি কৰা আৰু ছুটী দিয়া।

# বিশেষ পাঠ টোকা

বিদ্যালয়ৰ নাম—

বৰ্গ— ৫ম।

বিষয়—সমাজ বিজ্ঞান।

উদ্দেশ্য—গান্ধী জয়ন্তি পালন কৰা: গান্ধীজীৰ জীৱনৰ চমু আলোচনা।

সমন্বিত বিষয় জ্ঞান—মাতৃ ভাষা: সমাজ বিজ্ঞান।

মাধ্যম – সামাজিক পাৰিপাৰ্শ্বিকতা।

সময়—১০ – ৩॥ লৈ।

তাৰিখ—২।১০।৫৫

শিক্ষকৰ নাম—শ্ৰী

আঁচনি—স্কুল ঘৰ চাফাই আৰু সজোৱা চিত্ৰ সংগ্ৰহ,
শ্ৰদ্ধাঞ্জলি অৰ্পণ।

চাফাই—১০-৩০ মিঃ লৈ। আঁচনি মতে চাফাই কৰা। চাফাইৰ পেলনীয়া বস্তুবোৰ পচন সাৰৰ গাঁতত পেলোৱা। চাফাই মন্ত্ৰীয়ে তত্ত্বাৱধান লব।

প্ৰাৰ্থনা—১৫ মিঃ সদায় কৰি অহা নিয়মে প্ৰাৰ্থনা কৰা। বৰ্গ মন্ত্ৰীয়ে তত্ত্বাৱধান লব।

সূত্ৰযজ্ঞ—৩০ মিঃ মৌণ কটাই। উদ্যোগিক হিচাব পত্ৰ ছাত্ৰৰ খাতাত লিখা।

(এই কাম শেষ হোৱাৰ পিচত সজোৱা কোঠাতগৈ সমবেত হোৱা)

১২—৩॥ বজালৈ—

(শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা)

জয়ন্তি সম্বন্ধীয় প্ৰশ্ন আৰু উত্তৰ সমালোচনা কৰা।

প্ৰশ্ন—আজি এইদৰে পতা বিশেষ অনুষ্ঠানটো কাৰ উদ্দেশ্যে পতা হৈছে?

এই উৎসৱক কি বোলা হয়?

চিত্ৰখন কাৰ?

তেওঁক ৰাষ্ট্ৰপিতা বা বাপুজী কিয় বোলা হৈ?

বাপুজীৰ জয়ন্তি পালনৰ কাৰণে আমি কি কি কামক মুখ্য স্থান দিছোঁ?

বাপুজীৰ বাণী কি কি? ইত্যাদি

মাতৃভাষা :—(বোৰ্ডত লিখা আৰু ছাত্ৰই খাটাত তুলি লোৱা)

'আজি ২ ই অক্টোবৰ। বাপুজীৰ জন্ম দিবস। যোৱা ১৮৬৯ চনৰ ২ অক্টোবৰত গুজৰাটৰ পোৰবন্দৰত জন্ম গ্ৰহণ কৰিছিল। তেওঁৰ আচল নাম মোহন দাস কৰম চঁাদ গান্ধী। তেওঁৰ পিতাকৰ নাম কাবা গান্ধী আৰু মাকৰ নাম পুতুলী বাঈ। ১৯২০ চনৰ পৰাই বাপুজী দেশৰ মুক্তিৰ কাৰণে বিদেশী শাসকৰ লগত অসহযোগ আন্দোলন কৰে। বাপুজীৰ সত্য আৰু অহিংসাৰ বাণীত যোৱা ১৯৪৭ চনৰ ১৫ ই আগষ্টত আমি স্বাধীনতা পাইছো। দেশবাসীয়ে তেওঁক জাতিৰ জনক বুলি স্বীকাৰ কৰি ললে। আজি বাপুজী আমাৰ মাজত নাই। তেওঁৰ বাণী সমূহ আমি পালন কৰিব লাগিছোঁ।

"বিশ্বদীপ বাপুজী" পাঠটো পঢ়োৱা।

মেপত—পোৰ বন্দৰ গুজৰাট, দিল্লী, ৰাজঘাট দেখুওৱা।

পুনৰালোচনা—বাপুজী সদায় গীতা পঢ়িছিল, সূতা কাটিছিল। প্ৰাৰ্থনা সদায় কৰিছিল। তেওঁ সকলোকে সমান চকুৰে চাইছিল। বাপুজীয়ে দি গৈছে বুনিয়াদী শিক্ষা।

এই স্মৃতি দিবস পালন কৰাকে জয়ন্তি বোলা হয়।

[ সামূহীক কাৰ্য্য সূচী এইদৰে ভাগ কৰিব পাৰি ]

পুৱা ৭॥ বজাত চাফাই

" ৮ বজাত পতাকা উত্তোলন

" ৮॥ বজাত সামূহীক প্ৰাৰ্থনা।

" ৯ " সূত্ৰ যজ্ঞ।

" ১০ " গাওঁ চাফাই।

" ১২ বজাৰ পৰা সাধাৰণ সভা।

" ৪॥ বজাত পতাকা অৱতৰণ।

" ৫॥ সামূহীক প্ৰাৰ্থনা।

" ৬॥ দীপান্বিতা।

## বিশেষ পাঠ টোকা

১। বিদ্যালয়ৰ নাম—

বৰ্গ (৫ম, ৪ৰ্থ, ৩য়, ২য়, ১ম) সামূহীক

তাৰিখ—১৬।২।৫৬ (১ম দিন)

বাৰ—বৃহস্পতিবাৰ।

সময়—(৭টা বজাৰ পৰা ৫ টালৈ)

শিক্ষকৰ নাম—

মাধ্যম—সামাজিক পাৰিপাৰ্শ্বিকতা।

বিষয়—সৰস্বতী পূজা।

চাফাই— (আঁচনি)

সামূহিক ভাবে ১ম বৰ্গৰ ৫০ জন ছাত্ৰীয়ে স্কুল ঘৰ সাৰিব, ১ম বৰ্গৰ ৪ জন লৰাই প্ৰাৰ্থনা ঘৰ সাৰিব। ১ম বৰ্গ আৰু ২য় বৰ্গৰ লৰা-ছোৱালীয়ে স্কুলৰ আশ পাশৰ কাগজৰ টুকুৰা জাবৰ, ভোহৰ বোৰ গোটাব আৰু আটাইবোৰ টুকুৰীত ভৰাই পাচন সাৰৰ গাতত পেলাব। সকলোবোৰ পৰিস্কাৰ কৰি হাত ভৰি ধুই সিদিনাৰ কামৰ আঁচনি মতে কাম কৰিব।

২। কামৰ আঁচনি—

৫ম বৰ্গৰ ২ জন লৰাক পূজাৰ বাবদ সম্পাদক আৰু সহকাৰী সম্পাদক হিচাবে নিযুক্ত কৰা হৈছে। তেওঁলোকে খোৱালোৱাকে আদি কৰি পূজাৰ সম্ভাৰ দুধনৈ বজাৰৰ পৰা কিনিব। জমা খৰচৰ হিচাব পৰিষ্কাৰ পৰিচ্ছন্ন কৈ ৰাখিব। ৫ম বৰ্গৰ ৪জন লৰাই পাগ কৰিবৰ বাবে চৌকা তৈয়াৰ কৰিব। এইদৰে সকলো কাম সমূহ ভগাই দিয়া হব।

সৰঞ্জাম—ৰন্ধা বঢ়া, খোৱা লোৱাৰ সৰঞ্জাম গোটোৱা, পূজাৰ সম্ভাৰ গোটোৱা, আসন পাতি, খৰাহী টুকুৰী আদি।

৩। বিধি—

৩য় বৰ্গৰ ৪ জন লৰাক গাওঁৰ পৰা ৰন্ধা বঢ়া বাচন বৰ্ত্তন আনিবলৈ খেদোৱা হব। ৩য় বৰ্গৰ ৬ জন লৰাই বহিবলৈ ঢাৰা আনিব। ৫ম বৰ্গ ৪ জন ছোৱালীয়ে, চাউল, মাহ প্ৰসাদ ধোব। ৪ৰ্থ বৰ্গৰ ৮ জন লৰা ছোৱালীয়ে তৰ্কাৰি কাটিব। ২য় বৰ্গৰ ৪জন ছাত্ৰক গাওঁৰ পৰা ফুল আনিব দিয়া হব। ৪জন

লৰাই পাক কৰিব। ৫ জন লৰা চোৱালীয়ে চাহ খাবৰ কাৰণে চুজি ভাজিব। ২ জনে চাহ তৈয়াৰ কৰিব। ৬ জন চোৱালী চাহ বিতৰণ কৰিব। ৫ জন ছাত্ৰই বহা মেলাৰ জোগাৰ কৰিব। ৬ জন চাত্ৰই কুৱাৰ পৰা পানী আনিব। ৮ জনে খৰিপাত জোগাৰ দিব।

ঘট স্থাপন কৰি নৈবিদ্য আদি পাতি ধূপ ধূনা জ্বলাই সকলোৱে পুষ্পাঞ্জলী দি শ্ৰীশ্ৰী সৰস্বতী দেবীৰ ৰূপ চিন্তি প্ৰণাম কৰোৱা হব। সকলোৱে এক গোট হৈ বৰগীত আদি গাই নাম কীৰ্ত্তন কৰা হব। সকলোৱে প্ৰসাদ খাই নিৰামিষ ভোজন কৰা হব।

৯। শিক্ষা মূলক পাঠ—এঘণ্টা সময় জিৰাই প্ৰাৰ্থনা হলত এখন সৰস্বতী পূজা বিষয় মিটিং পতা হৈছিল। সভাত প্ৰিন্সিপাল মহোদয়, স্বৰ্গীয়াৰী মহোদয় আৰু ট্ৰেইনি সকল উপস্থিত আছিল। প্ৰিন্সিপাল মহোদয় সভাৰ সভাপতি আছিল। সভাত ৰচনা পাঠ, সৰস্বতী পূজা কিয় কৰিব লাগে ইয়াৰ পৰা আমাৰ লাভ কি এই সম্পৰ্কে সভাপতি আৰু ৰাইজৰ ফালৰ পৰা বহলাই বুজাই কোৱা হয়।

সভাৰ কাৰ্য্য ৫বজা মানতে শেষ হয়। গধূলী নিমন্ত্ৰীত ভদ্ৰলোক সকলক চাহ মিঠাই খুওৱা হয়।

মন্তব্য- বিদ্যালয়ৰ আতাই কেইজন শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ লগত সহযোগ ৰাখি পৰি পাটি ভাবে কামবোৰ চলাবলৈ যত্ন কৰিম

বিদ্যালয়ৰ নাম—তুধনৈ প্ৰশিক্ষণ বিদ্যালয়

বৰ্গ — ৪ৰ্থ, ৫ম

তাৰিখ -- ১৭।২।৫৬

বাৰ – শুক্ৰবাৰ (২য় দিন)

ছাত্ৰৰ সংখ্যা— ১৬ জন

সময় -- ১০৷৷টা বজাৰ পৰা ৩টা বজালৈ

শিক্ষকৰ নাম—

মাধ্যম — সামাজিক অনুস্থান

বিষয় — সমাজ বিজ্ঞান, সাহিত্য, গণিত, শ্ৰুতলিপি

চাফাই—১০টা বজাত স্কুলত উপস্থিত হম। সমূহিয়া ভাবে [ সময় ১৷৷ ঘণ্টা ] কম আৰু স্কুলৰ চৌহদ পৰিষ্কাৰ কৰাম। পাক কৰা চালিখন ভওাই গত লগাই থোৱাম। আনৰ পৰা সৰস্বতী পূজালৈ অনা বস্তুবোৰ দিয়াম।

প্ৰাৰ্থনা—সকলো লৰা ছোৱালীয়ে হাত ভৰি ধুই আহি। [ সময় ১৫ মিঃ ] পূৰ্ব্বৰ দৰে বৰ্গ মন্ত্ৰীৰ দ্বাৰা প্ৰাৰ্থনা কৰিব। মই ৫ মিঃ সময় দেবীৰ বাহন আৰু বীণা খনৰ অৰ্থ চমুকৈ বুজাই দিম।

সমাজ বিজ্ঞান—তুবৰ্গৰ ছাত্ৰ-ছাত্ৰীবোৰক সাজু কৰাই [ ৫০ মিঃ ] লৈ তলৰ প্ৰশ্ন কেইটি সোধা হব আৰু লগে লগে বুজাই দিম।

শ্ৰীশ্ৰী সৰস্বতী দেবী মানে কি বুজা। অতীজত সৰস্বতী

পূজাৰ প্ৰচলন সম্পৰ্কে কি বুজা ? বৰ্ত্তমান ইয়াৰ প্ৰচলন কেনে দৰে আগ বাঢ়িছে। চলিত পূজাও ছাত্ৰ ছাত্ৰীৰ মনত ভাব ধাৰা কেনে আছিল ? বৰ্ত্তমান ভাৱ ধাৰা [ পূজাৰ ] কেনে হব লাগে। সৰস্বতী পূজাৰ পৰা আমাৰ কি লাভ হয়। ইয়াৰ পৰা সমাজৰ কি লাভ ব' লোকচানও আছে। পশ্চিম ভাৰতৰ মানুহে সৰস্বতী পূজাৰ কি অৰ্থ কৰে। আৰ্য্যা বৰ্ত্তৰ সীমা কি ? ইয়াৰ ভিতৰত কি কি প্ৰদেশ পৰিছে ?

শিক্ষাটো স্থায়ী হবৰ বাবে ভাৰত মেপখন উলিয়াই লৈ ওপৰত দিয়া প্ৰশ্ন থিনি এজন লৰাক দিম বাকী বোৰে চাই লব। এই দৰে দুই তিন জনে দেখাব আৰু মনত ৰাখিব।

সাহিত্য—[ ১ ঘণ্টা ] সৰস্বতী পূজাৰ বিষয় দৈনিক বাতৰি কাকতৰ সম্পাদকীয় প্ৰবন্ধটো একোজন একোজন ছাত্ৰ ছাত্ৰীক একো একো দফা পঢ়িব দিয়া হব আৰু সেই থিনি কথা আকৌ নিজৰ কথাত বুজাই কব দিয়া হব। এই দৰে গোটেই প্ৰবন্ধটো পঢ়িব। শেষত মই আতাই থিনি কথা পৰিপাটি ভাবে বুজাই দিম। কথা থিনি ভাল ধৰণে মনত ৰবৰ কাৰণে দুই চাৰিটা প্ৰশ্ন কৰিম। প্ৰশ্ন বোৰ যাতে কম বুদ্ধিৰ লৰাই হে বেছি উত্তৰ দিব লগীয়া হয় তাৰ বাবে নজৰ ৰাখিম।

শেষত সাহিত্যৰ বহীত সৰস্বতী পূজাৰ চমু এটা বিবৰণ লিখিব দিয়া হব। বহীবোৰ চাই শুধৰাই দিম।

গণিত – ৫ম বৰ্গৰ সৰস্বতী পূজাৰ বাবে হোৱা, সম্পাদকে ছাত্ৰ ছাত্ৰীৰ পৰা চান্দা আৰু বাহিৰা ভদ্ৰলোকৰ পৰা পোৱা চান্দাৰ

হিচাব আৰু খৰচৰ হিচাব শ্ৰেণীত মোটা মোটি ভাবে ডাঙি ধৰিব। সম্পাদকে কন্দা জমা খৰচৰ হিচাব এটা বোৰ্ডত দেখাই দি বুজি পাইছে নে নাই লৰাক সোধা হব। বুজি পোৱা যেন দেখিলে তেনে ধৰণে ১৬০টকা জমা লৈ এখন হিচাব লিখিব দিয়া হব। লিখা হলে মই চাই শুধৰাই দিম। পিচত জেৰ জমা আৰু জেৰ খৰচ কেনেকৈ লিখে দেখাই হিচাবৰ পাঠ সামৰণি মাৰিম।

শ্ৰুতলিপি—আজীজৰে পৰা ভাৰতত সৰস্বতী পূজাৰ প্ৰচলন আছে। আমাৰ অসম আৰু বঙ্গদেশত হে সৰস্বতী পূজা হিচাবে পূজা কৰে। আন ঠাইত ইয়াক বসন্ত পূজা হিচাবে মানে। ছাত্ৰীৰ মাজত হে সৰস্বতী পূজাৰ আবশ্যকতা বেছি। কিয়নো সৰস্বতী দেবী জ্ঞান দায়িনী। উৎসৱ আদিৰ পৰা ছাত্ৰ ছাত্ৰীয়ে সামাজিক বহুত জ্ঞান লাভ কৰিব পাৰে।

ওপৰৰ কথা খিনি মই তিনি চাৰিটা শব্দ হিচাবে স্পষ্ট হিচাবে কম লৰাই নিজৰ বহী উলিয়াই লিখিব, লিখা হলে শেষত পাঠ খিনি এবাৰ পঢ়াই শুনাব। আৰু এজন লৰাক বহীবোৰ গোটাই আনিব কম মই চাই ভুল শুধৰাব দিম। শুদ্ধ হলে লৰাৰ ওচৰলৈ গৈ চাহি কৰি শৃঙ্খলাৰে ছুটী দিম।

---